# অসমীয়া অনাতাঁৰ নাটকৰ ইতিহাস

✍ ডক্টৰ নিতু চহৰীয়া

আধুনিক অসমীয়া নাটকৰ সুদীৰ্ঘ ইতিহাসৰ বিভিন্ন যুগত গঢ় লৈ উঠা সুকীয়া নাট্যধাৰাৰ ভিতৰত কুৰি শতিকাৰ আটাইতকৈ সমৃদ্ধশালী ধাৰাটোৱেই হৈছে অনাতাঁৰ নাটকৰ ধাৰা। বিংশ শতিকাৰ আগছোৱাত সূত্ৰপাত ঘটা আধুনিক অসমীয়া নাটকৰ এই ধাৰাটোৱে বৰ্তমানলৈ নিসন্দেহে এক বিশাল আয়তন লাভ কৰিবলৈ সক্ষম হৈছে।

অসমীয়া অনাতাঁৰ নাটকৰ প্ৰথম সূচনা হৈছিল আজিৰ পৰা প্ৰায় ৬৭ বছৰ পূৰ্বে। এই সুদীৰ্ঘ সময়ছোৱাত অসমৰ প্ৰথম অনাতাঁৰ কেন্দ্ৰ আকাশবাণী গুৱাহাটীকে প্ৰমুখ্য কৰি ডিব্ৰুগড়, যোৰহাট, নগাঁও আদি অনাতাঁৰ কেন্দ্ৰৰ যোগে কিমান সংখ্যক অনাতাঁৰ নাটকৰ সৃষ্টি হৈছে তাক সহজে কৈ দিয়া টান। কাৰণ প্ৰচাৰিত নাটকৰ সম্পূৰ্ণ সূচী বিদৰে আকাশবাণীৰ কেন্দ্ৰসমূহে ৰখা নাই, তেনেদৰে অন্য কোনেও সেইবোৰ তথ্যবান্ধ (documentation) কৰাও নাই। আনহাতেদি অসমত নাটকৰ ক্ষেত্ৰখনৰ বিষয়ে হোৱা আলোচনা-বিলোচনাৰ অনুপাতে অনাতাঁৰ নাটকৰ বিষয়ে চিন্তা-চৰ্চা আজিও যথেষ্ট সীমিত হৈ আছে। সেয়ে অনাতাঁৰ নাটকৰ সঠিক চিন্তা-চৰ্চাই নিশ্চয়কৈ অসমীয়া আধুনিক নাটকৰ ক্ষেত্ৰখনক যথেষ্ট সমৃদ্ধ কৰি তুলিব।

এইখিনিতে কৈ থোৱা ভাল যে, অসমীয়া সাহিত্যৰ বিভিন্ন বিভাগৰ তুলনাত অনাতাঁৰ নাটকৰ ইতিহাস তেনেই নতুন আৰু চমু যদিও অসমত অনাতাঁৰ কেন্দ্ৰ স্থাপিত হ'বৰ পৰা আজি পৰ্যন্ত সাতষষ্ঠি বছৰে ৰেডিঅ' নাটৰ এটা সুদৃঢ় ভেটি আৰু ধাৰাবাহিক পৰম্পৰা ইতিমধ্যে গঢ় লৈ উঠিছে। অনাতাঁৰ নাট্যানুষ্ঠানৰ ক্ষেত্ৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ পিছতে ডিব্ৰুগড় কেন্দ্ৰৰ নাম উল্লেখনীয়। তদুপৰি পৰৱৰ্তী কালত আকাশবাণী নগাঁও আৰু যোৰহাট কেন্দ্ৰইও নাটকৰ ক্ষেত্ৰখনলৈ যথেষ্ট অৰিহণা আগবঢ়াই আহিছে। এই কেন্দ্ৰসমূহৰ জৰিয়তে কেইবাহেজাৰো নাট ইতিমধ্যে প্ৰচাৰিত হৈছে। গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ ৰূপালী জয়ন্তী উপলক্ষে অৰুণ শৰ্মাই ৪৩ খন অনাতাঁৰ নাটকৰ যি সংকলন উলিয়াইছিল তাৰ পাতনিৰ পৰাই অসমীয়া অনাতাঁৰ নাটকৰ সংখ্যাগত দিশ সম্পৰ্কে এটি আভাস পাব পাৰি—

একুৰি পাঁচ বছৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ পৰা প্ৰচাৰিত নাটকৰ আবয়ৱিক দিশটোৰ সৈতে প্ৰথম মুখামুখি হ'লো; এই সময়ছোৱাত অকল নাট্য বিভাগৰ পৰাই চাৰি হেজাৰৰ ওপৰ নাট্যানুষ্ঠান নিবেদন কৰা হৈছিল। ইয়াৰ উপৰি আইদেউৰ বুলনি, পূৰ্বৰ গএগ্ৰা ৰাইজৰ অনুষ্ঠান আৰু পিছৰ কৃষি জগত, চেমনীয়াৰ চ'ৰা, অকণিৰ মেল, বিদ্যাৰ্থীৰ অনুষ্ঠান আদিত প্ৰচাৰিত হোৱা নাট্যানুষ্ঠানৰ হিচাপ ল'লে উপযুক্ত সংখ্যা প্ৰায় দহ হেজাৰৰ ওপৰ হ'বগৈ। এই দহ হেজাৰ নাট্যানুষ্ঠানত শতকৰা বিশ ভাগ পুনৰ প্ৰচাৰ ধৰিলে সৰ্বমুঠ আঠ হেজাৰখন নাটক পঁচিশ বছৰত প্ৰচাৰিত হৈছে।

সংকলকগৰাকীয়ে নিৰ্বাচনৰ বাবে লোৱা সময়সীমা বা যুগটোৰ পৰৱৰ্তী কালছোৱা অৰ্থাৎ ৪০ বছৰত গুৱাহাটীৰ লগতে অন্যান্য কেন্দ্ৰসমূহৰ জৰিয়তে আৰু কিমান সংখ্যক অনাতাঁৰ নাট ৰচিত তথা অভিযোজিত হৈ প্ৰচাৰিত হৈছে তাক নিশ্চয় অনুমান

কৰিব পাৰি। অৱশ্যে আমাৰ এই প্ৰবন্ধত অসমীয়া অনাতাঁৰ নাট্যধাৰাৰ এনে বৃহৎ আবয়বিক দিশৰ আলোচনা সম্ভৱ নহয়। সেয়ে ইয়াত অসমীয়া অনাতাঁৰ নাট্যধাৰাৰ এটি চমু আভাস দিবলৈহে প্ৰয়াস কৰা হৈছে।

অসমীয়া অনাতাঁৰ নাটকৰ আৰম্ভণি তথা বিস্তাৰ সম্পৰ্কে আলোচনা কৰাৰ পূৰ্বে অসমত অনাতাঁৰ কেন্দ্ৰ স্থাপনৰ বিষয়ে কিছু কথা ক'বলৈ বিচৰা হৈছে—

স্বাধীনতা লাভৰ পিছতে শিক্ষা-সংস্কৃতি আদি সকলো দিশৰ প্ৰসাৰৰ হেতু ৰেডিঅ'ক উৎকৃষ্ট মাধ্যম কৰি তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে দেশৰ প্ৰান্তই-প্ৰান্তই ৰেডিঅ' ষ্টেচন স্থাপনৰ আঁচনি হাতত লৈছিল। সেই সময়তে উত্তৰ পূৰ্বাঞ্চলতো অল্ ইণ্ডিয়া ৰেডিঅ'ৰ কেন্দ্ৰ স্থাপনৰ বাবে অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈয়ে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাইছিল। সেই মৰ্মেই ১৯৪৮ চনৰ শীতকালতেই উত্তৰ পূৰ্বাঞ্চলত অনাতাঁৰ কেন্দ্ৰ স্থাপনৰ যো-জা আৰম্ভ হয়। কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত মৰ্মে চূড়ান্ত কৰা হৈছিল যে যিহেতু শ্বিলং অসমৰ ৰাজধানী আৰু গুৱাহাটী হৈছে সাংস্কৃতিক কেন্দ্ৰ, সেয়ে দুয়ো ঠাইতে দুটা কেন্দ্ৰ পাতি তাক টেলি সংযোগেৰে একত্ৰ কৰি শ্বিলং-গুৱাহাটী কেন্দ্ৰ হিচাপে স্থাপন কৰা হ'ব। ১৯৪৮ চনৰ ১ জুলাই তাৰিখে আনুষ্ঠানিকভাৱে —' অল ইণ্ডিয়া ৰেডিঅ' শ্বিলং-গুৱাহাটী কেন্দ্ৰ' শীৰ্ষক অসমৰ প্ৰথমটো অনাতাঁৰ কেন্দ্ৰৰ দুৱাৰ মুকলি হয়। লগে লগে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ অসমীয়া আৰু অসমৰ বিভিন্ন ভাষা-ভাষী লোকৰ বাবে ভাষা-সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ এক নতুন অধ্যায়বো সূচনা হ'ল। শ্বিলঙত অনাতাঁৰ কেন্দ্ৰটো স্থাপন কৰা হৈছিল অসম বিধান সভা ভৱনত আৰু গুৱাহাটী অনাতাঁৰ কেন্দ্ৰটো স্থাপন কৰা হৈছিল উজান বজাৰৰ ব্ৰহ্মপুত্ৰ নৈৰ পাৰৰ পুৰণি কমিছনাৰৰ বঙলাত। (১৯৫৭ চনৰ মে' মাহতহে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰটি চান্দমাৰিৰ বৰ্তমানৰ ঠাইলৈ অনা হয়।))

এইখিনিতে উল্লেখ কৰি থ'ব পাৰি যে— অসমত অনাতাঁৰ কেন্দ্ৰ আৰম্ভ হোৱাৰ আগতে কেইবছৰমান কলিকতা অনাতাঁৰ কেন্দ্ৰৰ যোগে আবেলি ৫.৩০ বজাৰ পৰা ৬.০০ বজালৈ আধাঘণ্টাকৈ অসমীয়া অনুষ্ঠান শ'ৰ্টৱেভত দৈনিক প্ৰচাৰ কৰা হৈছিল। এই অনুষ্ঠানটি ১৯৪৩ চনৰ ৭ জুলাই তাৰিখে আৰম্ভ হৈছিল আৰু তাৰ পৰৱৰ্তী সময়ত কে'বাবছৰো ই প্ৰচাৰিত হৈ আছিল। উল্লেখযোগ্য যে, সেই সময়ত এক বিৰাট পৰিৱৰ্তনৰ দিশত আগবঢ়া ভাৰতবৰ্ষত এফালে ব্ৰিটিছ সাম্ৰাজ্যৰ বেলি মাৰ গৈ স্বাধীন ভাৰতৰ সূৰ্য উদয় হোৱাৰ সময়, আনহাতে সাম্প্ৰদায়িক সংঘৰ্ষই জুৰুলা কৰা অৱস্থা। এনে এক সন্ধিক্ষণৰ মাজতে অসমীয়া সাহিত্য আৰু সাংবাদিকতাই ৰেডিঅ' তথা অনাতাঁৰৰ যুগত ভৰি দিছিল। কলিকতাৰ পৰা প্ৰচাৰিত সৰু ৰেডিঅ' অনুষ্ঠান চলাবলৈ প্ৰগ্ৰেম এছিষ্টেণ্ট নিযুক্ত হৈছিল উবেইদুল লতিফ বৰুৱা। তদুপৰি ষ্টাফ আৰ্টিষ্ট হিচাপে নিযুক্ত আন দুজন অসমীয়া আছিল পুৰুষোত্তম দাস আৰু কমল নাৰায়ণ চৌধুৰী। ক্ষুদ্ৰ হ'লেও কলিকতাৰ ১ নং গাৰ্ষ্টিন প্লেছত থকা ৰেডিঅ' ষ্টেচনৰ পৰা প্ৰচাৰিত অসমীয়া অনুষ্ঠানটো আছিল বটিকটীয়া। আধাঘণ্টাকৈ প্ৰচাৰিত অসমীয়া অনুষ্ঠানটিত বাতৰি, গীত, অকণিৰ মেল, ৰেমনীয়াৰ চ'ৰা, বিজ্ঞান, কৃষি, সাহিত্য-সংস্কৃতি সম্পৰ্কীয় বিভিন্ন বিষয়ত ৫ মিনিটৰ প্ৰবন্ধ, অনুৰোধৰ গীত, চিঠি-পত্ৰৰ উত্তৰ, মহিলা মহল আৰু অন্যান্য সাংস্কৃতিক অনুষ্ঠানৰ লগতে চুটি নাটকীয় দৃশ্য আৰু আলেখ্য আদিও মাজে মাজে প্ৰচাৰিত হৈছিল। সেই সময়ত পূৰ্ণাঙ্গ অসমীয়া অনাতাঁৰ নাট বুলিবলৈ তেনে কোনো বিশেষ ৰচনা নাছিল যদিও সৰু নাটিক, আলেখ্য নতুবা কাব্য নাটিকা আদিৰ দৰে কিছু ৰচনা প্ৰচাৰিত নোহোৱাকৈ থকা নাছিল। এনে ক্ষেত্ৰত ফণী তালুকদাৰৰ 'বাইজে নৰ্ম জোকাৰিলে নৈ বয়' শীৰ্ষক এলানি উন্নয়নমূলক আলেখ্য আৰু 'শৰাইঘাট'

নামৰ কাব্য নাটিকাৰ নাম উল্লেখনীয়। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যইও উবেইদুল লতিফ বৰুৱাৰ আহ্বানক্ৰমে এই অনুষ্ঠানৰ বাবে গীত-প্ৰধান নাটক লিখাৰ কথা নিজেই উল্লেখ কৰি থৈ গৈছে। নাটকীয় দৃশ্যাদি ৰচনাত অমূল্য বৰুৱাইও সেই সময়ত সহযোগিতা আগবঢ়াইছিল। কলিকতাৰ ১নং গাৰ্ষ্টিন প্লেছত থকা কেন্দ্ৰৰ পৰা আধাঘণ্টাকৈ প্ৰচাৰিত অনুষ্ঠানটিত প্ৰসিদ্ধ শিল্পী কমল নাৰায়ণ চৌধুৰী আৰু পিছলৈ সহযোগীৰূপে পুৰুষোত্তম দাসৰ উপৰি কিছুদিনলৈ অস্থায়ী প্ৰগ্ৰেম এছিষ্টেণ্ট গোলাক চন্দ্ৰ ভূএগ্ৰা আৰু শেষত উবেইদুল লতিফ বৰুৱাৰ প্ৰচেষ্টাত কলিকতাত থকা অসমীয়া অধ্যাপক, ব্যৱসায়ী, সাংবাদিক, ছাত্ৰ, শিল্পী আৰু ভ্ৰমণ বানচ দি নিয়া অসমৰ দুই-চাৰিজন গায়ক-গায়িকাই যোগ দিছিল।

এই অনুষ্ঠানত যোগ দিয়া আন কিছু ব্যক্তি—তীৰ্থনাথ শৰ্মা, যতীন্দ্ৰ নাথ দুৱৰা, হলিৰাম ডেকা, জ্ঞাননাথ বৰা, অম্বিকানাথ বৰা, দীননাথ শৰ্মা, মহেন্দ্ৰ নাথ ডেকা ফুকন, মাধৱ বেজবৰুৱা, উমেশ চন্দ্ৰ বৰুৱা, হৰেন্দ্ৰ কলিতা, ভবেশ চন্দ্ৰ বৰুৱা আদিয়ে বিভিন্ন বিষয়ক প্ৰবন্ধ-পাতি পাঠ কৰিছিল। মহিলাসকলৰ বিশেষ অনুষ্ঠানত মালতী বৰুৱা (পদ্মশ্ৰী), দেৱবালা চলিহা, ৰেণু দেৱী আৰু পঢ়ি থকা ছাত্ৰীসকলে অংশগ্ৰহণ কৰিছিল। দিলীপ শৰ্মা, অনুকূল নাথ, ৰাণী পাল, পৰাগধৰ চলিহা, নিৰ্মল মজুমদাৰ, লখিমী চলিহা, আৰতি শৰ্মা, ৰেখা চলিহা, মিনতি শৰ্মা, দ্বিজেন চৌধুৰী, মুকুল বৰুৱা, অৰুণ বৰ্মণ, পুৰষোত্তম দাস, কমল চৌধুৰী আদিয়ে নিয়মিত অসমীয়া অনুষ্ঠানত গাইছিল। তদুপৰি বিষ্ণুপ্ৰসাদ ৰাভায়ো মাজে-সময়ে কলিকতালৈ আহি ৰেকৰ্ড কোম্পানীত নাটক আদি কৰাৰ লগতে আকাশবাণীতো অনুষ্ঠান পৰিৱেশন কৰিছিল। তদুপৰি আনন্দি ৰাম দাস, দুৰ্গাৰাম বৈৰাগী, যোগেশ ভৰালী, শিৱ ভট্টাচাৰ্য, বাৰুণ নাথ, বীৰেন ফুকন, ভূপেন হাজৰিকা, ধীৰেন্দ্ৰ নাথ দাস, মুক্তিনাথ শৰ্মা বৰদলৈ, ইক্ৰামুল মজিদ, তাৰিকুদ্দিন আহমেদ আদিয়ে কলিকতাত অসমীয়া গীতৰ ৰেকৰ্ডিং কৰিবলৈ আহোঁতে আকাশবাণীত অনুষ্ঠান পৰিৱেশন কৰি গৈছিল। এনেদৰে কলিকতাৰ পৰা প্ৰচাৰিত সৰু অনুষ্ঠানটিৰ সৈতে অসমৰ বহুলোক জড়িত হৈ পৰিছিল। ফলস্বৰূপে কিছুবছৰ পিছত যেতিয়া অসমত অনাতাঁৰ কেন্দ্ৰ স্থাপন হৈছিল তেতিয়া এইসকল অভিজ্ঞ ব্যক্তিৰ বাবে অনাতাঁৰ কেন্দ্ৰৰ কাম-কাজ চলোৱাত যথেষ্ট সুবিধা হৈছিল।

অসমৰ অনাতাঁৰ কেন্দ্ৰৰ নাট্যানুষ্ঠানৰ বিষয়ে আলোচনা কৰাৰ আগতে উল্লেখ কৰি থোৱা ভাল যে—অসমলৈ অনাতাঁৰ কেন্দ্ৰ অহাৰ সময়ত অসমীয়া নাটকৰ অৱস্থা ভালেই আছিল। কিয়নো সেই সময়ত নাট্যকাৰ জ্যোতিপ্ৰসাদ আগৰৱালা, অতুলচন্দ্ৰ হাজৰিকা, প্ৰসন্নলাল চৌধুৰী, প্ৰভাত শৰ্মা, সাৰদাকান্ত বৰদলৈ, চন্দ্ৰ ফুকন আদিয়ে অসমৰ নাট্যজগতখনক সক্ৰিয় আৰু সতেজ কৰি ৰাখিছিল। অনাতাঁৰ কেন্দ্ৰ স্থাপন হোৱাত তেওঁলোকৰ উৎসাহ দুগুণে বাঢ়িছিল আৰু তেওঁলোক আগবাঢ়িও আহিছিল। অৱশ্যে অনাতাঁৰ নাটৰ মাধ্যম, মঞ্চ নাটৰ মাধ্যমতকৈ সম্পূৰ্ণ বেলেগ হোৱা বাবে তেওঁলোকে উজুটি নোখোৱাকৈও থকা নাছিল। মাধ্যমটো আয়ত্ত কৰিবলৈ তেওঁলোকক কিছু সময়ৰ প্ৰয়োজন হৈছিল। সেইসময়ত আৰু এটা প্ৰধান অসুবিধাই দেখা দিছিল সেইটো হ'ল মহিলা শিল্পীৰ অভাৱ। ব্ৰজনাথ শৰ্মা আৰু জ্যোতিপ্ৰসাদে বহুতো কষ্ট স্বীকাৰ কৰি কেইগৰাকীমান মহিলা শিল্পী উলিয়াই আনিছিল যদিও অনাতাঁৰ নাটকত ভাও ল'বলৈ তেওঁলোকক বিচাৰি পোৱা নগৈছিল। তদুপৰি মঞ্চত চলি থকা নাটবোৰ আছিল বৰ দীঘল, অনাতাঁৰ নাট প্ৰচাৰৰ আধাঘণ্টা সময়ৰ বাবে সেইবিলাক উপযোগী নাছিল। একাংক নাটকো বৰকৈ ওলোৱা নাছিল। কিন্তু সেই সময়তে সত্যপ্ৰসাদ বৰুৱাই 'সুন্দৰ সেৱী সংঘ'ৰ যোগেৰে কৃতী মহিলা শিল্পীৰ সহযোগত কেইবাখনো

অসমীয়া নাটক মঞ্চস্থ কৰিছিল। সেয়ে অনাতাঁৰ কেন্দ্ৰৰ পৰা উবেইদুল লতিফ বৰুৱা আৰু পুৰুষোত্তম দাসে নাট আৰু শিল্পী বিচাৰি সত্যপ্ৰসাদ বৰুৱাৰ ওচৰ চাপিছিল। উবেইদুল লতিফ বৰুৱাই সত্যপ্ৰসাদ বৰুৱাৰ *শিখা* নামৰ নাটখন অনাতাঁৰৰ উপযোগীকৈ লিখি উলিয়াবলৈ দিহা পৰামৰ্শ দিয়ে আৰু সেই মৰ্মে বৰুৱাই নাটখন লিখি উলিয়ায়। সত্যপ্ৰসাদ বৰুৱাই নিজেই সেই বিষয়ে এনেদৰে লিখি থৈ গৈছে—

মঞ্চনাট *শিখা* খন অনাতাঁৰ উপযোগী কৰিবলৈ মৰহুম উবেইদুল লতিফ চাহাবৰ দিহামতে কমপক্ষেও ৬/৭ বাৰমান সাল-সলনি কৰিব লগা হৈছিল আৰু অনাতাঁৰৰ বাবে প্ৰায় নতুনকৈ লিখা নাটখনৰ নাম দিয়া হৈছিল—*ধৰালৈ যিদিনা নামিব সৰগ*।

অৰ্থাৎ 'অল্ ইণ্ডিয়া ৰেডিঅ' শ্বিলং-গুৱাহাটী কেন্দ্ৰ'ৰ যোগে প্ৰচাৰিত প্ৰথমখন পূৰ্ণাঙ্গ অসমীয়া নাটক আছিল সত্যপ্ৰসাদ বৰুৱাৰ *ধৰালৈ যিদিনা নামিব সৰগ*। নাটখন অনাতাঁৰ কেন্দ্ৰ স্থাপনৰ ঠিক পাঁচ দিন পিছতে অৰ্থাৎ ১৯৪৮ চনৰ ৬ জুলাই তাৰিখে প্ৰচাৰিত হৈছিল। (অৱশ্যে অনাতাঁৰ কেন্দ্ৰ স্থাপনৰ দিনাখনেই আবেলি *অসমীৰ মাত* নামৰ ভূপেন হাজৰিকাৰ নিৰ্দেশনাত তেওঁৰে সংগীতালেখ্য এখনি শ্বিলং কেন্দ্ৰৰ পৰা নিবেদিত হৈছিল।) সত্যপ্ৰসাদ বৰুৱাই নিজে *ধৰালৈ যিদিনা নামিব সৰগ* শীৰ্ষক নাটখনিৰ অনাতাঁৰ অভিযোজনা কৰাৰ লগতে এটা চৰিত্ৰৰ ভূমিকাও পালন কৰিছিল। নাটখন পৰিচালনা কৰিছিল উবেইদুল লতিফ বৰুৱাই। নাটখন ৩০ মিনিটৰ ভিতৰতে ৰেডিঅ' যোগে প্ৰচাৰ কৰা হৈছিল। অৱশ্যে নাটখন অনাতাঁৰ কেন্দ্ৰৰ শিল্পীৰ পৰিবৰ্তে 'সুন্দৰ সেৱী সংঘ'ৰ শিল্পীসকলেহে পৰিবেশন কৰিছিল। মহিলা শিল্পী পোৱাতো অসুবিধা হোৱা নাছিল। সংঘটোৰ কল্যাণী বৰুৱা (ফুকন) আৰু তুলতুল ভৰালী (বৰুৱা) আগবাঢ়ি আহিছিল। নাটখনত যোৱক আছিল সেই সময়ৰ নাট বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়া ফণী তালুকদাৰ। নাটখনৰ বিভিন্ন ভূমিকাত আছিল ভুবনেশ্বৰ বুজৰবৰুৱা, সৰ্বেশ্বৰ চক্ৰৱৰ্তী, জীবেশ্বৰ চক্ৰৱৰ্তী, গণেশ শৰ্মা, শিৱ ভট্টাচাৰ্য আৰু ললিতা বৰুৱা। অনাতাঁৰ যোগে প্ৰথম প্ৰচাৰিত এই নাটখনে যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছিল আৰু বহুতে অনাতাঁৰ মাধ্যমৰ বাবে নাট যুগুতাবলৈ আৰম্ভ কৰিছিল। তাৰ ভিতৰত উল্লেখযোগ্য আছিল শুচিব্ৰতা ৰায়চৌধুৰী, চৈয়দ আব্দুল মালিক আদি। আব্দুল মালিকে তেখেতৰ জনপ্ৰিয় গল্পকেইটামান অনাতাঁৰ নাটলৈ ৰূপান্তৰ কৰিছিল। তদুপৰি সত্যপ্ৰসাদ বৰুৱাই নিজে উল্লেখ কৰি গৈছে যে— সেইসময়ত তেওঁ নিজে নাট লিখাৰ উপৰি জ্যোতিপ্ৰসাদৰ কাৰেঙৰ *লিগিৰী*, *ৰূপালীম*, *লভিতা*, অতুলচন্দ্ৰ হাজৰিকাৰ কেইখনমান নাটক, ৰমা দাশৰ গল্প 'জাহ্নৱী', 'বৰষাৰ ৰাতি' আদি অনাতাঁৰৰ বাবে অভিযোজনা কৰিছিল।

নতুনকৈ অনাতাঁৰ প্ৰচাৰ আৰম্ভ কৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নিজাববীয়া প্ৰথম নাট প্ৰচেষ্টা আছিল *পথৰ সন্ধান* নামৰ নাটখন। শুচিব্ৰতা ৰায়চৌধুৰীৰ ছপা মঞ্চ নাট *কোন বাটে*'ৰ ফণী তালুকদাৰে অনাতাঁৰ অভিযোজনা কৰিছিল। উল্লেখযোগ্য যে, ফণী তালুকদাৰেই নাটখন পৰিচালনা কৰিছিল আৰু মুখ্য চৰিত্ৰত অভিনয়ো কৰিছিল। আনহাতে, নায়িকাৰ ভাও লৈছিল ভলী হাজৰিকাই (তালুকদাৰ)। অৱশ্যে ফণী তালুকদাৰে নিজেই কৈ গৈছে যে— 'এই নাটখন প্ৰকৃততে মাধ্যমটোৰ বাবে আৱশ্যকীয় দৃষ্টিৰে লিখা বুলি ক'ব নোৱাৰি।'

কোৱা বাহুল্য যে, কম দিনৰ ভিতৰতে 'অল্ ইণ্ডিয়া ৰেডিঅ' শ্বিলং-গুৱাহাটী কেন্দ্ৰ'ৰ নাট্যানুষ্ঠানে জনপ্ৰিয়তা লাভ কৰিছিল আৰু সেয়ে প্ৰথম অৱস্থাৰ নিয়মিত কাৰ্যসূচীৰ ভিতৰত গুৱাহাটী কেন্দ্ৰৰ সাপ্তাহিক ৰেডিঅ' নাটকখনলৈ নাট্যমোদী ৰাইজে আগ্ৰহেৰে বাট চাইছিল। পোনতে প্ৰতি মঙ্গলবাৰ আৰু পিছলৈ প্ৰতি

বুধবাৰে গধূলি ৮ বজাৰ পৰা সাধাৰণতে ৩০ মিনিট আৰু সময়ে সময়ে ৪৫ মিনিট সময়ৰ বাবে ৰেডিঅ' নাটক একোখন প্ৰচাৰিত হৈছিল।

প্ৰথম অৱস্থাত অসমীয়া জনপ্ৰিয় মঞ্চ নাটবোৰক চমুৱাই প্ৰচাৰ কৰা হৈছিল। শ্ৰোতাসকলে তেনেবোৰ নাটকৰ লগত পৰিচিত কাৰণে অকল অভিনয় আৰু পৰিস্থিতি সূচক সংগীত-শব্দ প্ৰয়োগৰ বিচাৰেৰে গ্ৰহণ কৰিছিল। কিন্তু অনাতাঁৰৰ বাবে বহুসংখ্যক নাটকৰ আৱশ্যক হ'ল। সপ্তাহটোৰ নিয়মীয়া নাট্যানুষ্ঠানৰ উপৰি বিশেষ শ্ৰোতাৰ উদ্দেশ্যে প্ৰচাৰিত 'গাঁৱলীয়া ৰাইজলৈ', 'আইদেউৰ বুলনি', 'অকণিৰ মেল', 'চেমনীয়া চ'ৰা' আদিতো সৰু-বৰ নাটক প্ৰচাৰ কৰাৰ আঁচনি লোৱা হ'ল। সেয়ে প্ৰতিষ্ঠিত নাট্যকাৰসকলৰ উপৰি নতুন মাধ্যমৰ উপযোগীকৈ নাট লিখিবলৈ চাকৰিয়ালসকলে আগভাগ ল'লে। তাৰ ভিতৰত সত্যপ্ৰসাদ বৰুৱা, চৈয়দ আব্দুল মালিক, নাৰায়ণ বেজবৰুৱা, ফণী তালুকদাৰ আদিয়ে যিকোনো উপায়েৰে নিজে লিখি, অনুবাদ কৰি, অভিযোজনা কৰি আৰু প্ৰবীণ -নবীন সাহিত্যসেৱী এচামক অনাতাঁৰ উপযোগী নাটক লিখাত উৎসাহিত কৰি— অনাতাঁৰ কেন্দ্ৰৰ চাহিদাৰ যোগান ধৰিছিল। উপযুক্ত মাননিৰে লিখোৱা নাটকবোৰৰ মানবিশিষ্ট প্ৰযোজনাই তেতিয়াৰ পৰাই অতিশয় জনপ্ৰিয়তা লাভ কৰা দেখা গ'ল। টেলিভিছনৰ আগমনৰ আগলৈকে এনেকুৱা অনাতাঁৰ নাটকে অসমীয়া সাহিত্যলৈ অভূতপূৰ্ব অৰিহণা আগবঢ়োৱাৰ লগতে অতিশয় জনপ্ৰিয়ও আছিল। অৱশ্যে এতিয়াও এক বুজন সংখ্যক শ্ৰোতাই অনাতাঁৰ নাটক শুনে আৰু আকাশবাণী গুৱাহাটী তথা ডিব্ৰুগড় কেন্দ্ৰৰ এনে অনুষ্ঠানৰ মান অক্ষুণ্ণ থকাৰ কথা স্বীকাৰ কৰে। বিভিন্ন সময়ত আগতে উল্লেখ কৰাসকলৰ উপৰি অতুল চন্দ্ৰ হাজৰিকা, প্ৰবীণ ফুকন, লক্ষ্মীধৰ চৌধুৰী, ভুবনমোহন বৰুৱা, সৰ্বেশ্বৰ চক্ৰৱৰ্তী, গিৰীশ চৌধুৰী আদি প্ৰবীণসকলৰ পৰা আৰম্ভ কৰি মাধ্যমটোৰ আঙ্গিকৰ সফল ব্যৱহাৰেৰে অৰুণ শৰ্মা, মহেন্দ্ৰ বৰঠাকুৰ, দুৰ্গেশ্বৰ বৰঠাকুৰ, সতীশ দাস, হেমেন হাজৰিকা, প্ৰফুল্ল শইকীয়ালৈ বৰ্তমানে বহুসংখ্যক লেখকে অনাতাঁৰ নাট ৰচনাৰ ক্ষেত্ৰত কৃতিত্ব লাভ কৰিছে। এনে নাটকৰ প্ৰযোজনা তথা পৰিচালনাতো কৃতিত্ব লাভ কৰাসকলৰ ভিতৰত সত্যপ্ৰসাদ বৰুৱা, কুলদা কুমাৰ ভট্টাচাৰ্য, দুৰ্গেশ্বৰ বৰঠাকুৰ, মহেন্দ্ৰ বৰঠাকুৰ, নীলু চক্ৰৱৰ্তী, উপেন্দ্ৰজিৎ শৰ্মা, আৰতি দাস বৈৰাগী, ধীৰেন বৰা, ধীৰু ভূঞা, বীণা দাস মান্না, মীৰা দাস আদিৰ উপৰি নতুনকৈ ৰমেন চৌধুৰী, চৰিন মেধি, উৎপল দত্ত, কৌস্তুভমণি শইকীয়া, নয়ন প্ৰসাদ, প্ৰবাল শৰ্মা, মঙলদৈৰ হেমচন্দ্ৰ কলিতা (নাম্বাপাৰা), ওদালগুৰি জিলাৰ প্ৰথম গৰাকী অনাতাঁৰ নাট্যকাৰ পুলিন কলিতা (ভেৰগাঁও) আদি কে'বাজনো উদীয়মান প্ৰতিভাৰ কথা উল্লেখ কৰিব পাৰি।

দৰাচলতে অসমৰ জীৱিত প্ৰয়াত প্ৰায় সকলো নাট্যকাৰেই অনাতাঁৰ নাট্যজগতলৈ অৰিহণা আগবঢ়াইছে। অনাতাঁৰ কেন্দ্ৰ স্থাপিত হোৱাত প্ৰথম পঁচিশ বছৰতে প্ৰায় চাৰে তিনিশ নাট্যকাৰৰ মৌলিক নাটক কেৱল গুৱাহাটী কেন্দ্ৰৰ পৰা প্ৰচাৰিত হৈছিল। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই তেওঁৰ 'আকাশবাণী আৰু মই' শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰিছে যে— নাট্যকাৰসকলক বাদ দিলেও সেই সময়ৰ এনে এজন ডেকা সাহিত্যিক নাছিল যি এবাৰ নহয় এবাৰ অন্ততঃ ৰেডিঅ'ৰ বাবে নাটক আৰু নাটক জাতীয় ৰচনা লিখা নাছিল।

অনাতাঁৰৰ কাৰণে সুকীয়াকৈ লিখা নাটসমূহৰ উপৰি প্ৰায় বিখ্যাত অসমীয়া মঞ্চ নাটকৰ অনাতাঁৰ অভিযোজনা হৈ গৈছে। প্ৰথম অৱস্থাত মৌলিক অনাতাঁৰ নাটকৰ অভাৱ হোৱা বাবে মঞ্চ নাটকৰ অভিযোজনা কৰিব লগা হৈছিল। সেয়ে ৰেডিঅ' নাটক প্ৰথমতে বিখ্যাত লিখিত নাটকৰ ওপৰত ভিত্তি কৰি ৰচিত হৈছিল। কিন্তু লাহে লাহে ৰেডিঅ'ৰ বাবে নাটক লিখিব পৰা এচাম নতুন নাট্যকাৰ ওলাল।

আজি অসমীয়া নাট্য জগতত বহু লেখকৰ আৱিৰ্ভাৱ হৈছে। নাটকৰ ৰচনা শৈলীৰ নানা পৰীক্ষা-নিৰীক্ষা চলাৰ লগতে একাংকিকাৰো বহুল প্ৰচাৰ হৈছে। কিন্তু পঞ্চাশ-ষাঠিৰ দশকৰ শেষ ভাগত সপ্তাহত এখনকৈ নাটক প্ৰচাৰ কৰাৰ দুৰূহ কামত আকাশবাণী অগ্ৰসৰ হৈছিল। ৩০/৪০ মিনিটত আকাশবাণীৰ উপযোগী নাটক একোখন লিখিবলৈ তদানীন্তন কালৰ এচাম নতুন লেখক ওলাইছিল হয়; কিন্তু এই এচাম লেখকক উলিয়াই অনাত আকাশবাণীৰ নাট বিভাগৰ কঠোৰ পৰিশ্ৰম আৰু সাধনাৰ প্ৰয়োজন হৈছিল। উল্লেখযোগ্য যে, গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ আৰম্ভণিতে নাট বিভাগৰ দায়িত্ব আছিল চৈয়দ আব্দুল মালিকৰ ওপৰত। তেখেতৰ কেইটামান গল্পৰ অনাতাঁৰ ৰূপ দিয়া কেইবাখনো নাটক সেইসময়তে প্ৰচাৰ কৰা হৈছিল। ১০ মাহৰ পিছত তেখেতে অনাতাঁৰ কেন্দ্ৰৰ চাকৰি এৰাৰ পিছত নাট্য অনুষ্ঠানৰ দায়িত্ব লৈছিল সত্যপ্ৰসাদ বৰুৱাই।

অনাতাঁৰ নাট্যানুষ্ঠানৰ আৰম্ভণিৰ সময়ছোৱাত অসমীয়া নাটকৰ উপৰি ৰয়েল্‌টীৰ সমস্যা নোহোৱা বহুতো প্ৰখ্যাত বিদেশী নাটৰ অসমীয়া অনাতাঁৰ অভিযোজনা প্ৰচাৰ কৰা হৈছিল। মঞ্চ নাটকৰ উপৰি মাজে মাজে দুই-এখন শ্ৰেষ্ঠ উপন্যাস আৰু কিছুমান আকৰ্ষণীয় অসমীয়া গল্পৰো অনাতাঁৰ নাট্য অভিযোজনা হৈছে। তদুপৰি পঞ্চাশৰ দশকৰ মাজভাগৰ পৰা আৰম্ভ হোৱা সৰ্বভাৰতীয় নাট্যানুষ্ঠানৰ জৰিয়তে অন্যান্য ভাৰতীয় ভাষাৰ নাটকো অসমীয়া ভাষাত অনাতাঁৰ যোগে প্ৰচাৰ কৰিবলৈ লোৱা হয়। অসমীয়ালৈ হিন্দী ভাষাৰ জৰিয়তে অনূদিত সৰ্বভাৰতীয় প্ৰচাৰৰ বাবে বা একোটা অঞ্চলৰ শ্ৰোতাৰ বাবে নিবেদন কৰা শতাধিক নাটক প্ৰবীণ নাট্যকাৰ তৰুণ আজাদ ডেকাই অনুবাদ কৰিছিল। তেনেকুৱা কেইখনমান নাটক হ'ল— *বাসবদত্তা, কেৰোণ, সূৰ্য্যশিখা, জঙ্গলী, মাথো এপিয়লা, মেঘনাদ বধ, আত্মতিৰ ৰক্ত সন্ধ্যা, বগলীৰ বগা পাখি, আত্মহত্যা, লাওখোলা, দুখন হৃদয়, চন্দ্ৰলোকত অগ্নিকাণ্ড, শ্ৰীৰামচন্দ্ৰ আৰু তাৰা, কেৰুমণি ঠুৰীয়া, মায়া আৰু পু[illegible] অমানুষিক, মাৰীচ, জন্ম কুণ্ডলী, গ্ৰ্যাণ্ড শ্ৰাম* ইত্যাদি।

মুঠতে অনাতাঁৰ নাট্যানুষ্ঠানৰ প্ৰথম সমস্যা [illegible] মাধ্যমৰ উপযোগী নাটকৰ অভাৱ ইয়াৰ দ্বাৰা দূৰ হ[illegible] আৰু কম দিনৰ ভিতৰতে অনাতাঁৰ নাটকৰ উৎ[illegible] টনকিয়াল হৈ উঠিল। এইখিনিতে আন এটা গুৰুত্বপূ[illegible] কথা উনুকিয়াই দিব খোজা হৈছে। আৰম্ভণিৰ সময়ছোৱা[illegible] ষ্টুডিঅ'ৰ পৰা পোনপটীয়াকৈ (Live) প্ৰচাৰিত হোৱা [illegible] নাটক টেপ ৰেকৰ্ডাৰ তথা ডিস্ক ৰেকৰ্ডাৰৰ সুবিধা নথক[illegible] হেতু আৰু লিখিত পাণ্ডুলিপিৰো সংৰক্ষণৰ অভাৱ[illegible] আজি বিচাৰি পোৱা সম্ভৱ নহয়। সংগৃহীত তথ্য অনুস[illegible] বহুসময়ত লিখিত পাণ্ডুলিপি একোটাৰ বিভিন্ন পৃষ্ঠা অভিনেতা-অভিনেত্ৰীক যেতিয়া পোনপটীয়া (Live) প্ৰচাৰৰ সময়ত দিয়া হৈছিল, বহু পাণ্ডুলিপিৰ পৃষ্ঠা বিভিন্নজনৰ হাততেই ৰৈ গৈছিল। অন্যান্য অসুবিধা আৰু সংৰক্ষণৰ চিন্তাৰ অভাৱৰ বাবেও আজি তেনে বহু নাটক আমাৰ মাজৰ পৰা হেৰাই গ'ল। উল্লেখযোগ্য যে, গুৱাহাটী অনাতাঁৰ কেন্দ্ৰই পতা নাট প্ৰতিযোগিতাইও অনাতাঁৰ নাটক ৰচনাত যথেষ্ট অৱদান আগবঢ়াইছিল। এই প্ৰতিযোগিতাৰ ফলতে ইন্দ্ৰ প্ৰসাদ হাজৰিকা, জয়ন্ত বৰুৱা, নেপাল দুৱৰা, দেৱ কুমাৰ শইকীয়া, সতীশ দাস, আৰতি দাস বৈৰাগী আদিৰ দৰে এচাম নতুন নাট্যকাৰৰ উন্মেষ ঘটিছিল।

আগতে ৩/৪ ঘণ্টাৰ দীঘল নাটবোৰহে ভাল বুলি গণ্য কৰা হৈছিল। প্ৰথমতে অনাতাঁৰৰ আধাঘণ্টা সময়ৰ ভিতৰতে যে এখন ৰসোত্তীৰ্ণ নাট লিখিব পাৰি সেই কথা নাট্যকাৰসকলে ভাবিব পৰা নাছিল। কিন্তু লাহে লাহে তেওঁলোকে ভাল অনাতাঁৰ নাট শুনি শুনি প্ৰত্যয় গ'ল যে অনাতাঁৰৰ বাবে নাট্যগুণ বিশিষ্ট নাট লিখিব পাৰি আৰু এনে উপলব্ধিয়ে লব্ধপ্ৰতিষ্ঠ নাট্যকাৰ প্ৰয়াত প্ৰবীণ ফুকন আদিক অনাতাঁৰৰ বাবে নাট লিখিবলৈ উদগনি দিলে। ইয়াৰ ফলত মঞ্চ নাট লিখাৰ ৰীতিও সলনি হ'ল। দীঘল নাটকৰ সলনি চুটি সংহত নাট্যবৃত্ত

মৌলিক নাট লিখা ৰীতি প্ৰৱৰ্তন হোৱাত ইয়ে অসমৰ নাট্য প্ৰতিভাসকলে সাৰ্থক অৰিহণা আগবঢ়ালে। অনাতাঁৰ নাট একাংকিকা ৰচনাৰ ক্ষেত্ৰতো উৎসাহ উদগনি যোগাই দিক্ নিৰ্ণয় কৰিলে।

তদুপৰি অনাতাঁৰ নাটৰ অভিনয়ে সহ-অভিনয় প্ৰৱৰ্তনত সহায় কৰাৰ লগতে মঞ্চৰ অতি-নাটকীয়তা ক্ৰমতে সহায় কৰিলে। অনাতাঁৰ নাট ষ্টুডিঅ'ৰ ভিতৰত মাইক্ৰ'ফোনৰ সন্মুখত অভিনয় কৰিবলগীয়া হোৱাত শিল্পীসকলে কণ্ঠস্বৰ নিয়ন্ত্ৰণৰ ওপৰত গুৰুত্ব দিবলগীয়া হ'ল আৰু ফলত মঞ্চৰ অভিনয় ৰীতিৰো পৰিবৰ্তন ঘটিল। তদুপৰি অনাতাঁৰ নাট বা অন্য অনুষ্ঠানে কম পৰিমাণে হ'লেও বানচ দিয়াৰ ৰীতি প্ৰৱৰ্তন কৰাত মঞ্চৰ শিল্পীকে কৰি কাৰিকৰী কৰ্মীসকলৰ মাজতো বানচ লোৱাৰ প্ৰবৃত্তি আৰম্ভ হ'ল। উল্লেখযোগ্য যে, ৰাষ্ট্ৰীয় নাট্য অনুষ্ঠানত প্ৰত্যেক আঞ্চলিক ভাষাত প্ৰচাৰিত শ্ৰেষ্ঠ নাটবোৰ বিভিন্ন আঞ্চলিক ভাষালৈ তৰ্জমা কৰি প্ৰচাৰ কৰা হৈছিল। এই অনুষ্ঠানে প্ৰত্যয় জন্মাবলৈ সক্ষম হ'ল যে— তুলনামূলকভাৱে অসমীয়া অনাতাঁৰ নাটবোৰ ভাৰতৰ লগত ফেৰ মাৰিব পৰা বিধৰ আছিল। এই অনুষ্ঠানত প্ৰথমে প্ৰচাৰিত অসমীয়া নাটখন আছিল ...মন শৰ্মা ৰচিত *ত্ৰিশঙ্কু*।

দ্বিতীয় মহাযুদ্ধৰ পিছৰে পৰা পঞ্চাশৰ দশকৰ মাজভাগত একাংক নাট্য আন্দোলনৰ সূচনা হোৱালৈকে অসমৰ সীমিত সংখ্যক ৰঙ্গমঞ্চই নাট্যামোদী ৰাইজক নাটৰঙ্গৰে যথেষ্ট অৰিহণা দিব পৰা নাছিল। সেয়েহে অনাতাঁৰ নাটকৰ চাহিদা নাট্যপ্ৰেমী মানুহৰ মাজত যথেষ্ট আছিল, যদিওবা সেই সময়ত ৰেডিঅ'ৰ সংখ্যা এতিয়াৰ তুলনাত যথেষ্ট কম আছিল। ৰঙ্গমঞ্চৰ সা-সুবিধাৰ অভাৱৰ বাবেই সেই সময়ত ...ভিতৰতেই অসমীয়া আৰু উৰ্দু ভাষাত অনাতাঁৰ নাটকৰ ... বেছি জনপ্ৰিয় আছিল বুলি জনা যায়। তদুপৰি মন কৰিবলগীয়া যে, আৰম্ভণিৰে পৰা অসমীয়া অনাতাঁৰ নাটক বিভিন্ন ধাৰাৰ মাজেৰে আগবাঢ়িছে, ইয়াৰ ফলত অনাতাঁৰ নাটকলৈ বিচিত্ৰতাৰ সমাবেশ ঘটিছে।

অসমৰ অনাতাঁৰ কেন্দ্ৰটো স্থাপনৰ পিছত আৰম্ভণিৰ অৱস্থাত, ইতিমধ্যে কলিকতাৰ ৰেডিঅ' ষ্টেচনৰ পৰা প্ৰচাৰিত অসমীয়া অনুষ্ঠানৰ লগত জড়িত কিছু অভিজ্ঞ দুই-চাৰিজন ব্যক্তিক অনা হৈছিল। অৱশ্যে পূৰ্ণাঙ্গ নাটক এখন ৰসোত্তীৰ্ণ ৰূপত তুলি ধৰিব পৰা অভিজ্ঞতাৰ হয়তো কিছু অভাৱ আছিল। সেয়ে ফণী তালুকদাৰৰ লগতে প্ৰথমতে নিযুক্তসকলক দিল্লীত এই সম্পৰ্কীয় দুমাহ মানৰ প্ৰশিক্ষণ দিয়া হৈছিল। পিছলৈ অৱশ্যে এনে প্ৰশিক্ষণ আঞ্চলিকভাৱে দি অহা হৈছে।

মন কৰিবলগীয়া যে, অসমত অনাতাঁৰ নাট সৃষ্টিৰ প্ৰথম অৱস্থাত বাণীবদ্ধৰ সুবিধা নাছিল। ১৯৫৬-৫৭ চন মানৰ পৰাহে এই ব্যৱস্থা প্ৰৱৰ্তিত হৈছে। আনহাতে, ডিস্ক ৰেকৰ্ডিঙৰ সুবিধা কিছুদিন পিছত হৈছিল যদিও সেয়া অত্যন্ত ব্যয়বহুল আছিল। সেয়ে প্ৰথম অৱস্থাত অনাতাঁৰ নাটকসমূহ প্ৰচাৰৰ নিৰ্দিষ্ট সময়ত ষ্টুডিঅ'ত অভিনীত হৈছিল আৰু পোনপটীয়া (Live) প্ৰচাৰ হৈছিল। তেনেস্থলত বাণীবন্ধন বা সম্পাদিত প্ৰযোজনাৰ কোনো থল নাছিল। এনে পোনপটীয়া প্ৰচাৰৰ বাবে যথেষ্ট প্ৰস্তুতি তথা সতৰ্কতাৰ প্ৰয়োজন হৈছিল। ৰেডিঅ' অভিনয়ৰ লগে লগেই প্ৰযোজকে লাগতিয়াল ধ্বনি আৰু সংগীত মিশ্ৰিত কৰি তৎক্ষণাৎ নাটকৰ সৈতে প্ৰচাৰিত কৰি গৈছিল। তদুপৰি ভুল শুধৰণিৰো কোনো সুযোগ সেইসময়ত নাছিল। এতিয়া অৱশ্যে চলচ্চিত্ৰৰ দৰেই আগতে অভিনয়খিনি বাণীবদ্ধ কৰি উঠি সুযোগ-সুবিধা মতে প্ৰযোজনাৰ পৰৱৰ্তী কামখিনি কৰা হয়। কিন্তু সেইসময়ত কেন্দ্ৰৰ অতি উৎসাহী আৰু নিষ্ঠাবান বিষয়া আৰু পৰিবেশনকাৰীৰ লগতে কেইজনমান গুণী-জ্ঞানী লোকৰ সহযোগত সীমিত কাৰিকৰী সুবিধাখিনিৰ মাজেৰে অলপ দিনৰ ভিতৰতে অনাতাঁৰ নাটৰ প্ৰযোজনা কৌশল সুচাৰুৰূপে পৰিচালিত হোৱা সম্ভৱ হৈ উঠিছিল। তেখেতসকলৰ

ভিতৰত বিৰিঞ্চি কুমাৰ বৰুৱা, মহেশ্বৰ নেওগ, ভূপেন হাজৰিকা, চৈয়দ আব্দুল মালিক, মৃগেন ৰায়চৌধুৰী, মুনীন বৰকটকী, ফণী তালুকদাৰ, সত্যপ্ৰসাদ বৰুৱা, মহিম বৰা, বীৰেন্দ্ৰ কুমাৰ ফুকন, অৰুণী কুমাৰ দাস, কীৰ্তিনাথ হাজৰিকা, উবেইদুল লতিফ বৰুৱা, পুৰুষোত্তম দাস, জ্ঞানদা কাকতি, পদ্ম বৰকটকী, শিব প্ৰসাদ ভট্টাচাৰ্য, নছিউৰ ৰহমান, লিলি দাস, প্ৰমোদ বৰদলৈ, বীণা গোস্বামী ইত্যাদি আৰু বহুতো ব্যক্তি আছিল।

১৯৫৭ চন মানত বিভিন্ন অনুষ্ঠানসূচীৰ বাবে আউটডৰ ৰেকৰ্ডিঙৰ কাম যথেষ্ট হৈছিল। অৰ্থাৎ ষ্টুডিঅ'ৰ বাহিৰলৈ গৈ বিভিন্ন অনুষ্ঠান ৰেকৰ্ডিং কৰি অনা হৈছিল। বিভিন্ন গীত-মাতৰ উপৰি আউটডৰ ৰেকৰ্ডিঙত নাটকো ৰেকৰ্ড কৰা হৈছিল। অৰুণী কুমাৰ দাসৰ 'অসমত আকাশবাণীৰ ইতিহাস' শীৰ্ষক প্ৰবন্ধৰ পৰা ডিব্ৰুগড় জে'লৰ কয়দীসকলৰ গীত আৰু নাটক ৰেকৰ্ড কৰাৰ কথা জানিব পাৰি।

ইয়াৰ উপৰি ব্যতিক্ৰম হিচাপে একেলগে মঞ্চত নিবেদন কৰা পৰতে অনাতাঁৰ যোগেও নাটক প্ৰচাৰ কৰা পৰীক্ষামূলক এক নতুন প্ৰচেষ্টাও অসমত আৰম্ভ হৈছিল। বহুসময়ত এনেদৰে প্ৰচাৰিত নাটকে সফলতা লাভ কৰিলেও কেতিয়াবা কৌশলগত তথা অন্য কাৰণতো ইয়াৰ ব্যতিক্ৰম হৈছিল। সেয়ে পিছলৈ বিশেষ নাটক মঞ্চত প্ৰদৰ্শন কৰিলেও আগতে ৰেকৰ্ড কৰিহে ৰেডিঅ'ত সম্পাদিত ৰূপত নিবেদন কৰা হয়।

অসমীয়া অনাতাঁৰ নাটকৰ ক্ৰমবিকাশৰ বিভিন্ন যুগত বিভিন্ন বিষয় বিচিত্ৰতাৰে এই ধাৰা সমৃদ্ধ হৈছে। সেয়ে অসমীয়া অনাতাঁৰ নাটকৰ ইতিহাসৰ আলোচনাত এই ক্ষেত্ৰখনত বিভিন্ন সময়ত দেখা দিয়া বিষয়-বিচিত্ৰতা তথা নাটকৰ পৰিবৰ্তিত ৰূপৰ বিচাৰ বিশ্লেষণ এক গুৰুত্বপূৰ্ণ আলোচ্য দিশ —

প্ৰথম অৱস্থাত পুৰণি সংস্কৃত নাটক আৰু আমাৰ অংকীয়া ভাওনাৰ দৰে অনাতাঁৰ নাটকতো সূত্ৰধাৰৰ অৱতাৰণা কৰা হৈছিল। মহেশ্বৰ নেওগৰ শ্ৰীমন্ত শংকৰ, অতুল চন্দ্ৰ হাজৰিকাৰ *শকুন্তলা*, শুচিব্ৰতা ৰায়চৌধুৰীৰ *পথৰ সন্ধান* আদি প্ৰথম পৰ্যায়ৰ অনাতাঁৰ নাটকসমূহ এই ক্ষেত্ৰত উল্লেখযোগ্য। সূত্ৰধাৰৰ অৱতাৰণাই বহুসময়ত শ্ৰোতাক নাটকখন বুজাত সহায় কৰিছিল। যদিও কালক্ৰমত দেখা গ'ল সূত্ৰধাৰৰ অৱস্থিতিয়ে নাটকীয় গতি, চৰিত্ৰৰ ভাবাবেগ, মানসিক সংঘাত আদি প্ৰকাশত তথা নাটকীয় উৎকণ্ঠা ধৰি ৰখাত বাধা প্ৰদান কৰে। সেয়ে পৰৱৰ্তীকালত সূত্ৰধাৰ চৰিত্ৰ পৰিহাৰ কৰা হৈছিল। তদুপৰি অসমীয়া সাহিত্যৰ অন্য অংগসমূহৰ দৰে প্ৰথম অৱস্থাৰ অনাতাঁৰ নাটকো ৰোমাণ্টিক প্ৰভাৱৰ পৰা মুক্ত হোৱা নাছিল। পঞ্চাশৰ দশকত অৰ্থাৎ স্বাধীনতা লাভৰ কেইবছৰমান পিছলৈকে ডেকা-গাভৰুৰ প্ৰেম-প্ৰণয়ক প্ৰায়ে মূল বিষয়বস্তু হিচাপে লোৱা হৈছিল। আবেগ, কাব্যধৰ্মী সংলাপ ইত্যাদিয়ে প্ৰথম অৱস্থাৰ অনাতাঁৰ নাটকত প্ৰাধান্য লাভ কৰিছিল। চৈয়দ আব্দুল মালিকৰ *আধা আঁকা ছবি* এই সময়ৰ বিশেষভাৱে উল্লেখযোগ্য নাটক। অৱশ্যে দ্বিতীয় মহাযুদ্ধৰ আগত অৰ্থাৎ *আৱাহন* আলোচনীৰ সময়ৰ গল্প-উপন্যাসত দেখা ৰোমাণ্টিক ভাবাবেশ কিম্বা স্বপ্নময় পৰিবেশ সৃষ্টিৰ প্ৰয়াস সেই সময়ৰ অসমীয়া অনাতাঁৰ নাটকত দেখা নগ'ল বৰং তাৰ কিছু ব্যতিক্ৰম ঘটিল। সামাজিক নায়-অন্যায় আৰু বিভিন্ন প্ৰকাৰৰ বৈষম্য, যেনে— সামাজিক মৰ্যাদাৰ বৈষম্য, অৰ্থনৈতিক বৈষম্য, জাত-কুলৰ বৈষম্য আদি সমস্যাযুক্ত বিষয়বস্তুৰ প্ৰতি নাট্যকাৰ আকৰ্ষিত হ'বলৈ ধৰিলে। এনে বিষয়বস্তুক লৈ ৰচিত দুই-এখন নাটক উচ্চমান বিশিষ্ট আৰু সাহিত্যিক গুণসম্পন্ন আছিল। বিৰিঞ্চি কুমাৰ বৰুৱাৰ *একেলাৰ নাট*, চৈয়দ আব্দুল মালিকৰ *অমৰ মায়া*, প্ৰবীণ ফুকনৰ *নদ আৰু নদী*, প্ৰীতি বৰুৱাৰ *সোণশিৰী* ভেটিৰ কোনে এই ক্ষেত্ৰত উল্লেখনীয় নাট। ইয়াৰ লগতে ভাৰত তথা অসমৰ স্বাধীনতা আন্দোলনৰ সজীৱ স্মৃতি ৰোমন্থনেও কোনো কোনো নাটকত বিশেষ মাত্ৰা দান কৰিলে। চৈয়দ

আব্দুল মালিকৰ *অমৰ মায়া* এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য নাট। আনহাতে *এনাজৰী*, *সোণশিৰী ভেটিৰ কোনে*, *ভাস্বতী*, *জ্যোতিৰেখা*, *নামৰূপৰ ৰূপকথা* আদি নাটকত ডেকা-গাভৰুৰ প্ৰেমে মুখ্য ভূমিকা গ্ৰহণ কৰিলেও ইয়াৰ নায়ক-নায়িকাই অসহায়ভাৱে পৰিস্থিতিৰ ওচৰত যুঁজ নকৰাকৈ নিজকে এৰি দিয়া নাই।

অসমৰ অনাতাঁৰ নাটকৰ আৰম্ভণিৰ সময়ছোৱাত বুৰঞ্জী আৰু পুৰণি আখ্যানক কেন্দ্ৰ কৰি ৰচিত অসংখ্য অনাতাঁৰ নাট পোৱা যায়। উল্লেখযোগ্য যে, অসম বুৰঞ্জীৰ প্ৰায়বোৰ গুৰুত্বপূৰ্ণ ঘটনাৰ ভেটিত অনাতাঁৰ নাটক ৰচিত হৈছে আৰু ইতিপূৰ্বে মঞ্চৰূপত থকা প্ৰায়বিলাক বুৰঞ্জীমূলক আৰু আখ্যানমূলক নাটকবো অনাতাঁৰ অভিযোজনা হৈছে। *সেনাপতি টিকেন্দ্ৰজিৎ*, *জোনাকী*, *ভোটাই ডেকা*, *মাণিক বাইটং* আদি তালেকেইখন উল্লেখনীয় বুৰঞ্জীমূলক বা আখ্যানমূলক নাটক মূলতে অনাতাঁৰ ৰূপতেই ৰচিত হৈছিল।

১৯৫২ চনৰ পৰা আৰম্ভ হোৱা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ এটি বিশেষ অনুষ্ঠান হ'ল— 'অনাতাঁৰ নাট্য সপ্তাহ'। পঞ্চাশৰ দশকত প্ৰায় প্ৰতি বছৰে এই অনুষ্ঠান পতা হৈছিল। এই অনুষ্ঠানৰ নাটক শুনিবলৈ শ্ৰোতাই অধিক আগ্ৰহেৰে বাট চাই ৰৈছিল। পঞ্চাশৰ দশকৰ শ্ৰেষ্ঠ অনাতাঁৰ নাটক বুলিলে নাট্যসপ্তাহসমূহৰ নাটকেইখনলৈ আঙুলিয়াব পাৰি। এনে কেতবোৰ নাট হ'ল— *ফিল আপ দি গেপচ*, *ভোটাই ডেকা*, *আৰ কে ভি থার্টিন*, *মাণিক বাইটং*, *আধা আঁকা ছবি*, *এবেলাৰ নাট*, *সোণশিৰি ভেটিৰ কোনে*, *মালতী*, *ভৰলী পাৰৰ সাধু*, *নামৰূপৰ ৰূপকথা*, *এনাজৰী*, *অধিকাৰ*, *জাহ্নৱী* আদি।

সামাজিক পৰিস্থিতিৰ পৰিৱৰ্তনৰ লগে লগে সাহিত্যৰ বিষয়বস্তু, চিন্তা ধাৰাৰ যি পৰিৱৰ্তন হয় এই পৰিৱৰ্তনক দ্ৰুত কৰাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই সদায় পৰোক্ষ অৰিহণা যোগাইছিল বুলি ক'ব পাৰি। সতীশ দাস, নেপাল দুৱৰা, দেৱকুমাৰ শইকীয়া, ইন্দ্ৰপ্ৰসাদ হাজৰিকা, আৰতি দাস বৈৰাগী, জয়ন্ত বৰুৱা আদি এচাম ডেকা নাট্যকাৰ গুলাই আহি শেষ ৰোমাণ্টিক যুগ আৰু বাস্তৱ পৃথিৱীখনৰ সেতুৰূপে নাটকীয় বিষয়বস্তুক তুলি ধৰে। প্ৰফুল্ল প্ৰসাদ শইকীয়াৰ কাব্যগন্ধী সংলাপৰ মাজত শুনা গ'ল কল্পনা আৰু বাস্তৱৰ সংঘাত।

পঞ্চাশৰ দশকৰ শেষৰ পৰা বিশেষকৈ ষাঠিৰ দশকত অনাতাঁৰ নাট্য প্ৰবাহত বাস্তৱবাদৰ ছাঁ পৰে। মনস্তত্ত্ব আৰু জীৱনবোধৰ বিভিন্ন গভীৰ দৃষ্টিভংগীৰ লগতে নাট্যধাৰাই প্ৰকৃতিবাদৰ পিনে গতি কৰে। তদুপৰি লাহে লাহে সমাজ-সচেতনতাৰ প্ৰকাশ নাটকসমূহত দেখিবলৈ পোৱা গ'ল। এই দশকৰ নাটকৰ মূল উপজীব্য বিষয় ব্যক্তিকেন্দ্ৰিকতাৰ পৰা সমাজকেন্দ্ৰিক হ'বলৈ আৰম্ভ কৰিছিল। *ইপাৰ-সিপাৰ*, *নদ আৰু নদী*, *ভাস্বতী*, *কস্তুৰী* আদি নাটকত নাৰী-পুৰুষৰ সম্পৰ্কৰ ওপৰত নাট্যকাৰৰ গভীৰ চিন্তা আৰু স্বকীয় দৃষ্টিভংগী তাৎপৰ্যপূৰ্ণ ৰূপত তুলি ধৰা হৈছে।

ষাঠিৰ দশকৰ আদিৰ পৰা অসমীয়া অনাতাঁৰ নাটকে কাহিনী আৰু পটভূমি নিৰ্বাচনত এক নতুন গতি ল'লে। সংলাপৰ ক্ষেত্ৰতো সেইদৰে নাট্যকাৰে এক সংযত আৰু বাস্তৱ ৰূপৰ পৰিচয় দিলে। ডেকা-গাভৰুৰ প্ৰেম কেৱল মিলন আকাংক্ষী হা-হুমুনিয়াহ নহৈ প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ সাহসীও হ'ল। নাটসমূহত অংকিত হ'ল সমাজৰ বিচিত্ৰ ৰূপ, বিচিত্ৰ চৰিত্ৰ। নাৰায়ণ বেজবৰুৱা, সত্যপ্ৰসাদ বৰুৱা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, যোগেশ দাস, তিলক হাজৰিকা, কীৰ্তিনাথ হাজৰিকা, পদ্ম বৰকটকী, ভবেন্দ্ৰনাথ শইকীয়া, হোমেন বৰগোহাঞি, মহিম বৰা, ফণী তালুকদাৰ, বসু ওজা আদি এই সময়ছোৱাৰ অগ্ৰণী নাট্যকাৰ।

ষাঠিৰ দশকৰ শেষ অথবা সত্তৰ দশকৰ আদিতেই প্ৰচাৰিত প্ৰণৱজ্যোতি ডেকাৰ ব্যঙ্গ নাট— *কেলেঙ্কাৰি হাগিচাৰ বোকামকা কেছ* আৰু পদ্ম বৰকটকীৰ *সিঁচা পুখুৰীৰ মাছ* নাটক দুখন বিশেষভাৱে উল্লেখযোগ্য। এই নাট দুখনৰ বিষয়বস্তু, কাহিনীৰ গতি-প্ৰকৃতি আৰু স্বাভাৱিক সংলাপে অসমীয়া অনাতাঁৰ নাটকত এটা নতুন দিশৰ সংযোজন কৰিলে। আকাশবাণীয়ে পৰিচয় কৰাই দিয়া সাম্প্ৰতিক অসমৰ অন্যতম আধুনিক নাট্যকাৰ অৰুণ শৰ্মায়ো *আহাৰ*, *চিএ্গৰ*, *কুকুৰনেচীয়া মানুহ* ৰ যোগেদি আকাশবাণীৰ নাটকৰ গতিৰ দিশত নতুনত্ব আনিলে। ইয়াৰ পিছত নাৰায়ণ বেজবৰুৱাৰ *কক্কৰী*, ফণী তালুকদাৰৰ *মৰা হাতী*, হোমেন বৰগোহাঞিৰ *শিকলি*, ভবেন্দ্ৰনাথ শইকীয়াৰ *জংঘল*, হিমেন্দ্ৰ বৰঠাকুৰৰ *সৰ্পিল* আদি নাটকে এই গতিক ক্ষিপ্ৰতা প্ৰদান কৰে।

ষাঠিৰ দশকতে অসমৰ অনাতাঁৰ কেন্দ্ৰৰ আন এক গুৰুত্বপূৰ্ণ পদক্ষেপ আছিল বিশ্ব নাট্যাৱলীৰ সৈতে অসমীয়া শ্ৰোতাক পৰিচয় কৰাই দিয়াৰ প্ৰচেষ্টা। ফলত পুথিভঁৰাল বা কোনো চৌখিন লোকৰ আলমাৰীত আবদ্ধ হৈ থকা বিশ্ববিখ্যাত নাট্যকাৰৰ ৰস বুদ্ধিজীৱী মহলৰ পৰা আৰম্ভ কৰি নিৰক্ষৰ চহা এজনেও গ্ৰহণ কৰিব পৰা হ'ল। শ্বেক্সপীয়েৰ (Shakespeare), এচকাইলাচ (Aechylus), ছফক্লিচ (Sophocles), ইউৰিপাইডিছ (Euripides), অস্কাৰ ৱাইল্ড (Oscar Wilde), চেকভ (Anton Chekhov), ক্ৰিষ্টোফাৰ মাৰ্লো (Christopher Marlowe), পিৰান্দেলো (Pirandello), ইবচেন (Ibsen), ষ্ট্ৰীণ্ডবাৰ্গ (Strindberg), টুৰ্গেনিভ (Turgenev), গগল (Gogol) আদি বিদেশী নাট্যকাৰৰ অসমীয়া অনাতাঁৰ অভিযোজনা এই ক্ষেত্ৰত উল্লেখযোগ্য। কোৱা বাহুল্য যে, অসমীয়া অনাতাঁৰ নাট্যৰূপত থকা বিশ্ববিখ্যাত নাটখিনিৰ যদি এটি সুকীয়া সংকলন উলিওৱা হয়, ই নিসন্দেহে অসমীয়া সাহিত্যৰ এটি মূল্যবান অঙ্গ হৈ ৰ'ব। বিশ্ব নাট্যৰ সৈতে অসমীয়া শ্ৰোতাক পৰিচিত কৰোৱাৰ লগতে অসমীয়া অনাতাঁৰ নাট্যকাৰে নিজৰ ৰচনাৰ জৰিয়তেও সমকালীন বিশ্ব নাট্য ধাৰাক আঁকোৱালি লোৱাৰ প্ৰয়াস কৰিছিল। পিছলৈ এই পদক্ষেপ অধিক শক্তিশালী আৰু সাৰ্থক হৈ উঠিছিল। সত্যপ্ৰসাদ বৰুৱাৰ আহ্বানমৰ্মে নৱকান্ত বৰুৱাই ইউৰিপাইডিছৰ *এলচেষ্টেচ* (*Alsestes*) শীৰ্ষক গ্ৰীক নাটখন কাব্যনাট হিচাপে ছন্দত ৰেডিঅ'ৰ বাবে লিখি উলিয়াইছিল।

ষাঠিৰ দশকতে 'ধাৰাবাহিক নাটক' শীৰ্ষক এবিধ নতুন আৰ্হিৰ নাট্যানুষ্ঠানৰ জৰিয়তে আকাশবাণীয়ে নাট্য ৰসগ্ৰাহীজনক আমোদ দিয়াৰ লগতে অসমীয়া সাহিত্যলৈয়ো এটি উল্লেখযোগ্য অৱদান আগবঢ়ায়। সেই আৰ্হিৰ অতি সাৰ্থক সৃষ্টি ভবেন্দ্ৰনাথ শইকীয়াৰ তিনিটা অধ্যায় আৰু ছয়ত্ৰিশটা খণ্ডত নিবেদিত জোনাকী নানি ক্ৰমে —*জোনাকীৰ বিয়া*, *জোনাকী বোৱাৰী হ'ল* আৰু *জোনাকী, মায়া আৰু মণি*— জোনাকীৰ জীৱনক লৈ লিখা এই তিনিটা খণ্ড অতি জনপ্ৰিয় আছিল। পিছে পৰিতাপৰ বিষয় যে দুটামান খণ্ডৰ পাণ্ডুলিপিৰ বাহিৰে এইখিনি নাটক বৰ্তমান নিশ্চিহ্ন হৈ গ'ল। তিলক হাজৰিকাৰ ছয় খণ্ডত প্ৰচাৰিত *মহাপ্ৰলয়* আন এখন অন্যতম ধাৰাবাহিক নাটক। নানা সীমাবদ্ধতাৰ মাজত থাকিও আকাশবাণীয়ে নাটকৰ ক্ষেত্ৰত বিভিন্ন পৰীক্ষা-নিৰীক্ষা চলাই আহিছে। আকাশবাণীৰ নাট বিভাগৰ উপন্যাস পাঠ আৰু সেই উপন্যাসৰ চৰিত্ৰসমূহৰ নাটকীয় উপস্থাপন আছিল এনে এক পৰীক্ষা। উপন্যাসৰ এনে নাট্যৰূপো ধাৰাবাহিকভাৱে প্ৰচাৰিত হৈছিল। ১৯৬২ চনৰ চীনৰ আক্ৰমণৰ সময়ত আৰম্ভ কৰা হৈছিল ধাৰাবাহিক উপন্যাস পাঠ অনুষ্ঠান আৰু অনাতাঁৰ মাধ্যমৰ উপযোগীকৈ ৰচনা কৰা প্ৰথমখন বিখ্যাত নাট্য উপন্যাস আছিল বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ *শতঘ্নী*। চীনা

আক্ৰমণৰ পটভূমিত ৰচিত এই উপন্যাসখনত চীনৰ আক্ৰমণৰ ফলত অসমীয়া সামাজিক ব্যৱস্থাৰ পৰিবৰ্তন আৰু বহুকালৰে পৰা উজনি অসমত বাস কৰা চীনা লোকসকলৰ জীৱন-যাত্ৰাত ইয়াৰ প্ৰভাৱৰ বিষয়ে বৰ্ণনা আছে। এই উপন্যাসখনৰ ধাৰাবাহিক নাট্যৰূপৰ প্ৰযোজনা কৰিছিল ফণী তালুকদাৰে। শতঘ্নী উপন্যাস সেই সময়ৰ কেন্দ্ৰ সঞ্চালক গোপাল দাসৰ দ্বাৰা হিন্দীলৈ অনূদিত হৈ প্ৰকাশিত হৈছিল।

এই দশকৰে আন এখন বিখ্যাত অনাতাঁৰ উপন্যাস হ'ল— নৱকান্ত বৰুৱাৰ *কককাদেউতাৰ হাড়*। গ্ৰন্থাকাৰে প্ৰকাশ হোৱাৰ পিছত এই উপন্যাসখনি সাহিত্য একাডেমি পুৰস্কাৰেৰে পুৰস্কৃত হৈছিল। *কককাদেউতাৰ হাড়* অসমৰ মঞ্চত নাটক ৰূপেও মঞ্চস্থ হৈছিল প্ৰণৱজ্যোতি চৌধুৰীৰ পৰিচালনাত। দুখন বিশ্ববিখ্যাত উপন্যাস *ৰবৰ্ত্ত পিচ* আৰু *আনাকেৰেনিনা*ৰ অসমীয়া ধাৰাবাহিক নাট্যৰূপ ষাঠিৰ দশকৰ এক উল্লেখযোগ্য অৱদান আছিল।

ইয়াৰ বাহিৰেও আৰম্ভণিৰ সময়ছোৱাতে আৰু কেইবাখনো অসমীয়া উপন্যাসৰ অনাতাঁৰ অভিযোজনা প্ৰচাৰ দেখা যায়। তাৰ ভিতৰত— *লাহৰী, মনোমতী, ৰঙিলী, ৰহদৈ লিগিৰী, তাম্ৰেশ্বৰী মন্দিৰ* আদি উল্লেখযোগ্য। এইলানি অনুষ্ঠানত পিছলৈ সংযোজিত হোৱা দুখন গুৰুত্বপূৰ্ণ উপন্যাস হ'ল— অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱনৰ ভেটিত লিখা উপন্যাস কুমুদ গোস্বামীৰ *উত্তাল পোহৰ* আৰু অৰুণ গোস্বামীৰ *অলকৰ*। দুয়োখন উপন্যাসেই অসমীয়া উপন্যাস সাহিত্যৰ বিশিষ্ট সৃষ্টিৰূপে স্বীকৃত হৈছে।

মন কৰিবলগীয়া যে, অনাতাঁৰ নাটকে কেৱল অসমীয়া নাট্য সাহিত্যলৈয়ে অৱদান আগবঢ়োৱা নাই বৰং অসমীয়া উপন্যাস সাহিত্যলৈও অৱদান আগবঢ়োৱা পৰিলক্ষিত হয়। অনাতাঁৰ নাটক হিচাপে প্ৰচাৰ হোৱাৰ পিছত, সেই একে কাহিনীৰ উপন্যাসৰূপেও জনপ্ৰিয়তা অৰ্জন কৰা দুখন উপন্যাস হ'ল— চৈয়দ আব্দুল মালিকৰ *অমৰ মায়া* আৰু ফণী তালুকদাৰৰ *পৃথিৱীৰ প্ৰেম*। এজন ৰাজনৈতিক পলাতকৰ এনিশাৰ ঘটনাক লৈ ৰচিত চৈয়দ আব্দুল মালিকৰ *অমৰ মায়া* নামৰ গভীৰ জীৱনবোধ আৰু সংঘাতক লৈ ৰচিত নাটকখনিৰেই উপন্যাসৰূপ হ'ল *অমৰ মায়া*। ফণী তালুকদাৰৰ অনাতাঁৰ নাটক *পৃথিৱীৰ প্ৰেম* খনো উপন্যাসৰ ৰূপত প্ৰকাশ হোৱাৰ পিছত জনপ্ৰিয় উপন্যাস ৰূপে পৰিগণিত হৈছিল।

এইদৰে ষাঠিৰ দশকত অসমীয়া অনাতাঁৰ নাটকে বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে আগবাঢ়ি অনেক বৈচিত্ৰ্য আৰু অভিনৱত্ব লাভ কৰাৰ লগতে এক নিৰ্দিষ্ট গতিপ্ৰবাহো আহৰণ কৰিলে। এই দশকতে অনাতাঁৰ নাটক অসমীয়া সাহিত্য আৰু নাট্যকলাৰ এটি পূৰ্ণাঙ্গ দিশৰূপে প্ৰতিষ্ঠিত হয়।

সত্তৰৰ দশকৰ প্ৰথম কেইবছৰত এই পূৰ্ণাঙ্গ নাট্যকলাবিধিৰ বিকাশ আৰু পৰিসৰ অতি বলিষ্ঠভাৱে তথা বিভিন্নমুখে সম্প্ৰসাৰিত হ'বলৈ আৰম্ভ কৰিছিল। অনাতাঁৰ নাট্যধাৰাত ১৯৭১ চন মানৰ পৰা যে এক প্ৰবল ধল বাগৰি আহিছিল তাক নিশ্চিতভাৱে সকলোৱে অনুভৱ কৰিছিল। ইয়াৰ মূল কাৰণ আছিল শিক্ষাৰ দ্ৰুত প্ৰসাৰ আৰু স্বাধীনতাৰ প্ৰায় দুই দশকৰ পিছতো দেশৰ অৰ্থনৈতিক অনগ্ৰসৰতাই ঘটোৱা জনসাধাৰণৰ মনৰ প্ৰতিক্ৰিয়া। তদুপৰি চৰকাৰী প্ৰচাৰ মাধ্যম ৰূপে অনাতাঁৰ কেন্দ্ৰই আৰম্ভণিৰে পৰা চৰকাৰী নীতি প্ৰচাৰ কৰাতেই গুৰুত্ব আৰোপ কৰে বুলিও ভবা হৈছিল। গতিকে ৰাজনৈতিক চিন্তাৰ পৰিপ্ৰেক্ষিতত সামাজিক দায়বদ্ধতাৰ স্থান অনাতাঁৰ নাটকত নাছিল। কিন্তু সত্তৰ দশকৰ পৰা আকাশবাণীৰ নাট্যানুষ্ঠানত বিপুল পৰিৱৰ্তন দেখা গ'ল। বত্ৰ *কোঁঠাৰ সাধু* বা *এলান্দ পাহাৰৰ* লেখীয়া নাট প্ৰচাৰৰ দ্বাৰা গুৱাহাটী কেন্দ্ৰই সাহসৰ পৰিচয় দিলে। ১৯৭৫ চনত সমগ্ৰ দেশত জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ

পিছত নাটকৰ প্ৰচাৰৰ ক্ষেত্ৰত অনেক বাধা আৰোপ কৰা হৈছিল। সেইসময়ত গীত-কবিতা আদিৰ দৰে অনাতাঁৰ নাটকতো কুকিলফীয়া নীতিৰ প্ৰচাৰ কৰা হৈছিল যদিও কে'বাখনো অনবদ্য নাটকৰ সৃষ্টি হয়। সমাজ সচেতনতাক মূল প্ৰতিপাদ্য বিষয় হিচাপে লৈ লিখা কেইবাখনো অনাতাঁৰ নাটে সেইসময়ত শ্ৰোতাৰ মাজত আলোড়ন তুলিছিল। সমাজ বিপ্লৱৰ ইন্ধনসূচক এই নাটকখিনিয়ে অসমীয়া প্ৰগতিমূলক সাহিত্যক নিসন্দেহে বহুখিনি চহকী কৰি তুলিছিল।

সত্তৰৰ দশকত অসমীয়া অনাতাঁৰ নাটকৰ বিষয়বস্তু ব্যক্তিচিন্তা তথা ফ্ৰয়েডীয় মনস্তত্বৰ বিচাৰ বিশ্লেষণতে আবদ্ধ নাথাকি মানৱ মুক্তি, যুৱ-উশৃংখলতা, সমাজ তথা ৰাজনীতিয়ে পঙ্গু কৰা জনজীৱন, সশস্ত্ৰ সংগ্ৰাম, মাৰ্ক্স-লেনিন আদিৰ আদৰ্শ সমৰ্থিত সমাজতান্ত্ৰিক বিপ্লৱ আদি দিশবোৰকো সামৰি লয়। সেয়ে বলিষ্ঠ বিষয়বস্তুৰে প্ৰচাৰিত সেই সময়ৰ অনাতাঁৰ নাটসমূহে শ্ৰোতাক মনোৰঞ্জনৰ লগতে মানসিক খোৰাক যোগাবলৈ সক্ষম হৈছিল।

সত্তৰৰ দশকৰ শেষৰ ফালে কিছু সুকীয়া সোৱাদৰ নাটক প্ৰচাৰিত হ'বলৈ ধৰে। উদাহৰণ স্বৰূপে— জ্যোতিপ্ৰসাদ শইকীয়াৰ বশিষ্ঠাশ্ৰম নাটকখনৰ কথা উল্লেখ কৰিব পাৰি। নিৰ্জনতাৰ পটভূমিত মানুহৰ তথাকথিত সভ্যতাৰ আঁৰ-কাপোৰ কেনেকৈ খোল খাই যায়, প্ৰকৃতিৰ আকুল আহ্বানে বিংশ শতাব্দীৰ মানুহকো সকলো কৃত্ৰিমতাৰ পৰা কেনেকৈ আঁতৰাই আনিব এয়েই নাটকখনৰ মূল উপজীব্য। পৰিস্থিতিয়ে তথাকথিত সভ্য মানুহক কেনেদৰে অসহায় কৰিব পাৰে আৰু সেই ছবি নিৰ্জন প্ৰকৃতিৰ দাপোণত কেনেদৰে প্ৰতিফলিত হ'ব পাৰে বশিষ্ঠাশ্ৰম তাৰেই নিদৰ্শন। এই সময়ছোৱাতেই প্ৰচাৰিত এখন লেখত ল'বলগীয়া নাটক হ'ল- নৱ শৰ্মাৰ জন্মেজয়। কাহিনী, সংলাপ, চৰিত্ৰ সৃষ্টি, সংঘাত, আঙ্গিক তথা বক্তব্য আদি সকলো ফালৰ পৰাই এই নাটখন আকাশবাণীৰ এক ব্যতিক্ৰম সংযোজন। তদুপৰি সতীশ দাসৰ অভিজ্ৰ, সুশীল গোস্বামীৰ ম... গুহাৰ আন্ধাৰত, আৰতি দাস বৈৰাগীৰ জননী, নগেন শইকীয়াৰ কবৰ তলিৰ আৰ্তস্বৰ, বন্ধু ওজাৰ বা আদি নাটকে মানুহৰ সামাজিক, ৰাজনৈতিক ধাৰণাৰ পৰিবৰ্তনৰ ছবি দাঙি ধৰিলে। আকাশবাণীৰ নাটকৰ এই নতুন ধাৰাৰ প্ৰভাৱ অসমৰ মঞ্চ নাটকতো পৰা দেখা গ'ল। মানুহৰ চিন্তাৰ বিৱৰ্তনৰ ধাৰাটোত আকাশবাণীৰ নাট্যানুষ্ঠানবো যথেষ্ট বৰঙণি আছে।

অৰুণ শৰ্মাৰ মতে সত্তৰৰ দশকৰ এই সময়ছোৱাৰ পৰাই অসমীয়া অনাতাঁৰ নাটকৰ 'আভা গাৰ্ড' (Avant Garde) যুগ আৰম্ভ হয়। আধুনিক সভ্যতাই কঢ়িয়াই অনা উশৃঙ্খলতা, প্ৰাপ্তি আৰু পৰিপূৰ্ণতাৰ তিক্ততা, অৱক্ষয় আদিয়ে সাহিত্যৰ আন অংগত প্ৰভাৱ পেলোৱাৰ দৰে নাটকতো প্ৰভাৱ পেলাইছিল। ফলত পূৰ্ব প্ৰচলিত নীতি-নিয়ম ভাঙি বিশ্ব নাট্য জগতত সৃষ্টি হয়— এন্টিনাটক আৰু ইয়াৰ বিভিন্ন ধাৰা। ছেমুৱেল বেকেটকে (Samuel Beckett) প্ৰমুখ্য কৰি এবছাৰ্ডিষ্টসকলৰ নাটক, ছাত্ৰে (Jean Paul Sartre) আৰু আলবেয়াৰ ক্যোমু (Albert Camus) আদি অস্তিত্ববাদীসকলৰ নাটক এই সকলোবোৰতে ধৰণ-কৰণ আৰু বিষয়বস্তুৰ অভিনৱ পৰীক্ষা-নিৰীক্ষা চলিল। আনহাতে বাৰ্টল্ট ব্ৰেখ্টৰ (Bertolt Brecht) এক সম্পূৰ্ণ নব্য নাট্যধাৰাই বিশ্বৰ সমাজতান্ত্ৰিক ভাবধাৰাক ৰূপায়িত কৰাৰ ক্ষেত্ৰত এক শক্তিশালী নাট্য মাধ্যম ৰূপে গৃহীত হ'ল। মুঠতে এক নব্য নাট্য যুগৰ সূচনা হ'ল।

মন কৰিবলগীয়া যে, বিশ্ব নাট্য জগতৰ এই নব্য নাট্যধাৰাসমূহ অসমীয়া ভাষা আৰু সাহিত্যত অনাতাঁৰ নাট্যকাৰেই প্ৰথম গ্ৰহণ কৰে। যাঠিৰ দশকতে এই পদক্ষেপ লক্ষণীয়ভাৱে আৰম্ভ হৈছিল। গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত কুলদা কুমাৰ ভট্টাচাৰ্য নাট্য প্ৰযোজক হৈ থকা কালতে যিবোৰ ন-ন নাট্যানুষ্ঠানৰ সূচনা হৈছিল,

নাটৰ ভিতৰত বিষয়বস্তু, ৰচনা ৰীতি আৰু নিবেদন শৈলীৰ অভিনৱত্বৰে পৰীক্ষামূলকভাৱে এবছ্ৰ্টৈষ্ট ধৰ্মী নাটক দুই-এখন প্ৰচাৰিত হৈছিল। কিন্তু সত্তৰৰ দশকৰ পৰা এনে নাটক প্ৰায় নিয়মীয়াভাৱে ৰচিত আৰু প্ৰচাৰিত হৈ থাকিলে। অসমীয়া নাট্যমোদীক বিশ্বৰ শেহতীয়া নাট্যধাৰাৰ ওচৰ চপাই দিয়াৰ এক ঐকান্তিক প্ৰচেষ্টাৰ ফলস্বৰূপে, ১৯৭১ চনৰ পৰা ভালেকেইখন জটিল চিন্তা আৰু বুদ্ধিনিষ্ঠ নাটকৰ ৰচনা হয়; পূৰ্ব প্ৰচলিত নাট্যধাৰাৰ লগতে এই নতুন নাট্যধাৰাকো শ্ৰোতাই আগ্ৰহেৰে গ্ৰহণ কৰিলে। মুঠতে এই সময়ছোৱাত দুয়োটা ধাৰা সমান্তৰালভাৱে একে গতিৰে প্ৰভাৱিত হৈছিল।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ *দেওবৰীয়া নাট্যানুষ্ঠান* শ্ৰোতাৰ আন এক অন্যতম প্ৰিয় অনুষ্ঠান আছিল। এই অনুষ্ঠানৰ জৰিয়তে ভালেখিনি ব্যঙ্গ আৰু হাস্য ৰসাত্মক নাটকৰ সৃষ্টি হৈ আহিছে। গাঁৱলীয়া জীৱনৰ লগতে পিছলৈ নগৰীয়া জীৱনৰ বিষয়বস্তুৱেও এনে নাটত স্থান পায়। এই অনুষ্ঠানৰ জনপ্ৰিয়তাৰ ভেটি গঢ়োঁতাসকলৰ ভিতৰত তিলক হাজৰিকা, কীৰ্তিনাথ হাজৰিকা, মহিম বৰা, ভবেন্দ্ৰনাথ শইকীয়া, ঘন হাজৰিকা, ৰজনী শৰ্মা, প্ৰণৱ জ্যোতি ডেকা, ৰমা জেৰৰুৱা, সতীশ দাস, লক্ষ্যধৰ চৌধুৰী আছিল অন্যতম। এওঁলোকৰ নাটকে শ্ৰোতাক এক বেলেগ ধৰণৰ আনন্দৰ খোৰাক যোগাবলৈ সক্ষম হৈছিল।

দেওবৰীয়া নাট্যধাৰা সাফল্যৰ শিখৰলৈ উঠিছিল দুৰ্গেশ্বৰ বৰঠাকুৰৰ *নোকোৱাই ভাল* শীৰ্ষক নাট্যানুষ্ঠানৰ জৰিয়তে। নাটক নহয়, অথচ নাটকৰ দৰেই শ্ৰোতাই উপভোগ কৰা এই অনুষ্ঠানটি আছিল পাঁচ মিনিটৰ। ইয়াত সমাজৰ বিবিধ কেৰোণ, সমস্যা, দুৰ্নীতি আদি ব্যঙ্গাত্মকভাৱে সংলাপৰ জৰিয়তে তুলি ধৰা হৈছিল। সত্তৰ দশকৰ একেবাৰে শেষৰ ফালে আৰম্ভ কৰা আকাশবাণীৰ হাস্য-ব্যঙ্গৰ এই অনুষ্ঠানটি এক দশকৰো অধিক কাল নিৰৱচ্ছিন্নভাৱে প্ৰচাৰিত হৈ আছিল। এটা সময়ত এই অনুষ্ঠানে তুলনাবিহীন জনপ্ৰিয়তা অৰ্জন কৰিছিল। এই প্ৰসংগত উল্লেখ কৰা ভাল হ'ব যে এই জনপ্ৰিয়তাৰ গুৰিত এই অনুষ্ঠানত অংশ গ্ৰহণকাৰী দুৰ্গেশ্বৰ বৰঠাকুৰ, মীৰা দাস, বীণা দাস, নীলু চক্ৰৱৰ্তী আৰু নিকেল বৰুৱাৰ অভিনয় প্ৰতিভাৰো বিশেষ বৰঙণি আছিল। তদুপৰি দুৰ্গেশ্বৰ বৰঠাকুৰৰ একক অভিনয়ৰ *গজেন্দ্ৰ উপাখ্যান* আছিল এক অবিস্মৰণীয় মাইলৰ খুঁটি। কেৱল নাট্যকাৰ ৰূপেই নহয়, অভিনেতা ৰূপেও দুৰ্গেশ্বৰ বৰঠাকুৰ আছিল একক। হাস্য আৰু ব্যঙ্গৰ বিশ্বাসযোগ্য একীকৰণ, বাস্তৱ তথা স্বাভাৱিক সংলাপ আৰু স্বাভাৱিক অভিনয়ে শ্ৰোতাৰ ৰুচি পৰিৱৰ্তনত এক নতুন মাত্ৰা দিলে। কেৱল সেয়ে নহয়, দেওবাৰৰ এই নাট্যানুষ্ঠানটো উপভোগ কৰিবৰ কাৰণে শ্ৰোতাই সোনকালে খাই বৈ আজৰি হৈছিল। এই অনুষ্ঠানক জনপ্ৰিয় কৰাত দুৰ্গেশ্বৰ বৰঠাকুৰৰ ৰচনা তথা কণ্ঠই বিশেষ অৰিহণা যোগাইছিল। ইয়াৰ লগতে *গজেন্দ্ৰ উপাখ্যান*, *ঘৰত কোন আছে*, *নিৰ্দিষ্ট বক্তা*, *নিৰুদ্দেশ* আদি দেওবৰীয়া নাট্যানুষ্ঠান শ্ৰোতাৰ মনত আজিও সজীৱ হৈ আছে।

দেওবৰীয়া নাট্যানুষ্ঠানত ধাৰাবাহিক নাটকো শুনোৱা হৈছিল। সত্তৰৰ দশকত এই অনুষ্ঠানত ধাৰাবাহিক হিচাপে প্ৰচাৰ হোৱা কেইখনমান উল্লেখযোগ্য অনাতাঁৰ নাট হ'ল— প্ৰফুল্ল বৰাৰ *বৰুৱাৰ সংসাৰ*, তৰুণ শইকীয়াৰ ছটা খণ্ডৰ *গোবৰ্দ্ধন চৰিত*, ভবেন্দ্ৰনাথ শইকীয়াৰ *দেউতা*, *আগন্তুক*, *অন্ধকূপ* আৰু সত্তৰৰ দশকৰ শেষৰ ফালে লিখা *শান্ত শিষ্ট*, *হৃষ্ট পুষ্ট*, *মহাদুষ্ট* নামৰ নাটকলানি।

তদুপৰি সত্তৰৰ দশকত আন এবিধ নতুন ৰচনা-ধাৰাবাহিক ডিটেক্‌টিভ নাটকে অনাতাঁৰ নাট্য জগতত ভুমুকি মাৰে। ডিটেক্‌টিভ ধাৰাবাহিকৰ ক্ষেত্ৰত ঘন হাজৰিকাৰ *সুৰংগৰ শেষত* নাটকে জনপ্ৰিয়তাৰ এক নতুন অভিলেখ সৃষ্টি কৰে। তদুপৰি ভবেন্দ্ৰনাথ শইকীয়াৰ *অন্ধকূপ*, প্ৰণৱজ্যোতি ডেকাৰ *ৰতাহত*

*পতাকা কঁপে* আদি অনাতাঁৰ ডিটেক্‌টিভ নাটকে অসমীয়া নাট্য সাহিত্যত নতুনত্ব আনিছিল। *বতাহত পতাকা কঁপে* নাটকৰ কাহিনীয়ে নাটকৰ বিষয়বস্তুত একপ্ৰকাৰ নতুন দিশ সংযোগ কৰিলে। বুদ্ধিদীপ্ত সংলাপ, ব্যঙ্গ তথা আন্ধাৰে ঢাকি ৰখা এখন বেলেগ জগতৰ সন্ধান পালে এই নাটকৰ শ্ৰোতাই। এনেদৰে, অনাতাঁৰ নাট্যধাৰাত অনেক ধাৰাবাহিক নাটক সত্তৰৰ দশকৰ পৰা বৰ্তমান পৰ্যন্ত ৰচিত তথা প্ৰচাৰিত হোৱা দেখা যায়। সেয়ে কোনো কেনোৱে সাম্প্ৰতিক কালৰ জনপ্ৰিয় টি ভি ধাৰাবাহিকৰ জন্মদাতা অনাতাঁৰ নাট্যধাৰা বুলি ক'ব খোজে।

পৰৱৰ্তী সময়ত দেওবৰীয়া নাট্যানুষ্ঠানে ইয়াৰ পূৰ্ব চৰিত্ৰ সলনি কৰে। সম্ভৱতঃ হাস্য-ব্যঙ্গ লেখকৰ সংখ্যা কমি যোৱাৰ বাবেই দেওবৰীয়া নাট্যানুষ্ঠানে গুৰু গম্ভীৰ নাটকৰ প্ৰচাৰ হাতত ল'বলগা হয়। যোগেশ দাসৰ *মদাৰ* তেনে এক প্ৰচেষ্টা। ছটা খণ্ডৰ এই ধাৰাবাহিকখনৰ কাহিনী আৰু পটভূমিৰ বৈচিত্ৰ্যই শ্ৰোতাক ভিন্ন সোৱাদেৰে মুগ্ধ কৰিছিল। সেইদৰে *চৌধুৰী পৰিয়াল* যোগেশ দাসৰ অন্য এক গুৰু-গম্ভীৰ ধাৰাবাহিক। দেওবৰীয়া বা বুধবৰীয়া নাট্যানুষ্ঠানৰ উপৰি যিকোনো অনুষ্ঠানৰ মাজে মাজে দৈনিক প্ৰচাৰিত হোৱা 'মিনিটৰ নাট' এক উল্লেখনীয় ৰচনা। মাত্ৰ এক মিনিটতে এখন সুন্দৰ নাট্যচিত্ৰ তুলি ধৰি দৰ্শকক আমোদ দিয়াৰ এনে প্ৰচেষ্টা অনন্য আছিল।

সত্তৰৰ দশকতে ফণী তালুকদাৰে স্বগতোক্তি ধৰণৰ পৰীক্ষামূলক আন এটি নব্য অনুষ্ঠানৰ জন্ম দিছিল। এই অনুষ্ঠানত পোনপ্ৰথমে হোমেন বৰগোহাঞিৰ 'এপিটাফ' নামৰ গল্পটি তহ্‌হুক ইউছুফৰ উদাত্ত কণ্ঠেৰে নিবেদন কৰোৱা হৈছিল। একেদৰে প্ৰীতি বৰুৱাৰ 'হিলবয়' গল্পটি ধীৰেন বৰাৰ হতুৱাই নিবেদন কৰা হৈছিল। পিছলৈ অৰুণ শৰ্মাৰ উদ্যোগত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ হতুৱাই কে'বাগৰাকী মুক্তিযুঁজাৰু শ্বহীদৰ কাল্পনিক 'স্বগতোক্তি' অতি সফলতাৰে নিবেদন কৰা হৈছিল। স্বগতোক্তিৰে উপস্থাপিত কেইখনমান গুৰুত্বপূৰ্ণ অনাতাঁৰ নাটক হ'ল — *কুশল কোঁৱৰ, পিয়লি ফুকন, মণিৰাম দেৱান* আদি।

আনহাতে, সেই সময়ছোৱাতে বৌদ্ধজাতকৰ বিষয়বস্তুৰেও ৰেডিঅ' নাটকত ঠাই পোৱা দেখা যায়। নৱকান্ত বৰুৱাই বৌদ্ধ জাতকৰ ভিত্তিত *অভিৰূপ নন্দা, কুশজাতক* আৰু *এহি ভিক্ষুণী* শীৰ্ষক তিনিখন নাটক লিখিছিল। *কুশজাতক*ৰ বাহিৰে আন দুখন নাটক পিছত উপন্যাসৰ ৰূপত প্ৰকাশ পায়।

আশীৰ দশকত অসমীয়া অনাতাঁৰ নাটকৰ ভঁৰালত পুৰাণৰ কেতবোৰ চৰিত্ৰৰ আধাৰত ৰচিত এলানি নাটক সংযোজিত হয়। কেশৱ মহন্তৰ *ধৃতৰাষ্ট্ৰ*, ৰূপ ওজাৰ *অভিমন্যু*, হৰেন ভূঞাৰ *অৰ্জুন*, ড° হেমন্ত কুমাৰ শৰ্মাৰ *অঙ্গুলিমাল*, অতুল চন্দ্ৰ হাজৰিকাৰ *সীতা* (ধাৰাবাহিক), *মহাৰথী কৰ্ণ*; আনন্দ শৰ্মাৰ *বিদৰ্ভ কন্যা*, বিৰিঞ্চি কুমাৰ মেধিৰ *অহল্যা*, ডিম্বেশ্বৰ শৰ্মাৰ *গান্ধাৰী* আদি এই শ্ৰেণীৰ কেইখনমান উল্লেখযোগ্য নাট।

আশীৰ দশকত অসমীয়া অনাতাঁৰ নাটকৰ ক্ষেত্ৰখন জীপাল কৰি ৰখা কেইগৰাকীমান নাট্যকাৰ হ'ল-প্ৰবীণ ফুকন, আৰতি দাস বৈৰাগী, দীনেশ চন্দ্ৰ গোস্বামী, সুশীল গোস্বামী, মইনা গোস্বামী, আলি হাইদৰ, অতুল বৰা, পূৰ্ণানন্দ শইকীয়া, বিৰিঞ্চি কুমাৰ মেধি, নৰেন বৰা আদি। এই সকল লেখকৰ লগতে অন্যান্য কেইগৰাকীমান লেখক যেনে সীতানাথ লহকৰ, বঞ্জিত শৰ্মা, চবিন মেধি, সপোনজ্যোতি ঠাকুৰ,জ্যোতি শইকীয়া, দিবাকৰ গোস্বামী আদিয়ে তাকৰীয়াকৈ হ'লেও নাটক লিখি নব্বৈৰ দশক তথা পৰৱৰ্তী সময়ছোৱাতো অসমীয়া অনাতাঁৰ নাটকৰ ভঁৰাল টনকিয়াল কৰিছে।

এইখিনিতে অসমীয়া অনাতাঁৰ নাটকৰ গৌৰবোজ্জ্বল ইতিহাসৰ আন এক দিশ উনুকিয়াব বিচৰা

হৈছে। অনাতাঁৰ যোগে প্ৰচাৰ হৈ পৰৱৰ্তী সময়ত মঞ্চত সফলতা অৰ্জন কৰা তথা বিশিষ্ট সাহিত্য সৃষ্টিৰূপে পুৰস্কৃত হোৱা আৰু শ্ৰোতাৰ মাজত অত্যন্ত জনপ্ৰিয়তা লাভ কৰা অসমীয়া অনাতাঁৰ নাটকৰ সংখ্যা কম নহয়। এই পৰিসংখ্যাই দৰাচলতে অসমীয়া অনাতাঁৰ নাটকৰ গৌৰৱোজ্জ্বল ইতিহাসকে সূচায়।

অৰুণ শৰ্মাৰ অনাতাঁৰ নাটক 'এয়া গদ্য' ৰ মঞ্চনাটকৰ ৰূপ 'শ্ৰীনিবাৰণ ভট্টাচাৰ্য', 'হিমেন্দ্ৰ কুমাৰ বৰঠাকুৰৰ 'বাঘ' আৰু মহেন্দ্ৰ বৰঠাকুৰৰ 'জন্ম'— এই তিনিওখন নাট অসম সাহিত্য সভাৰ দ্বাৰা তিনিটা সময়ৰ শ্ৰেষ্ঠ অসমীয়া নাটকৰূপে পুৰস্কৃত হৈছে। অৰুণ শৰ্মাৰ 'আহাৰ' শীৰ্ষক অনাতাঁৰ নাটকখন ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া স্নাতকোত্তৰ মহলাৰ পাঠ্যপুথি হিচাপে গ্ৰহণ কৰা হৈছে। আগতে 'শ্ৰীনিবাৰণ ভট্টাচাৰ্য' নাটখনো ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ পাঠ্যপুথি আছিল। বৰ্তমান এই নাটকখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া স্নাতকোত্তৰ মহলাৰ পাঠ্যপুথি। তদুপৰি ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ যোগে প্ৰযোজিত নলিন ভূঞাৰ 'হাতী আৰু ফান্দী', ভবেন্দ্ৰনাথ শইকীয়াৰ 'এজাক জোনাকীৰ জিলমিল' প্ৰবীণ ফুকনৰ 'মণিৰাম দেৱান' শীৰ্ষক অনাতাঁৰ নাটককেইখন বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক পৰ্যায়ৰ পাঠ্যক্ৰম হিচাপে চলি আছে। অতুলচন্দ্ৰ হাজৰিকাৰ 'সেনাপতি টিকেন্দ্ৰজিৎ' নামৰ জনপ্ৰিয় অনাতাঁৰ নাটখন পিছত পৰিবৰ্ধিত কৰি মঞ্চৰূপ দিয়া হৈছিল। বৰ্তমান এই নাটখন উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ঐচ্ছিক অসমীয়া বিষয়ৰ পাঠ্যক্ৰম।

মহেন্দ্ৰ বৰঠাকুৰে চৈয়দ আব্দুল মালিকৰ 'ৰাঙৰ্চুলা 'গল্পৰ আধাৰত অভিযোজনা কৰা একে নামৰ অনাতাঁৰ নাটখন আকাশবাণী দিল্লীৰ মহানিৰ্দেশালয়ৰ দ্বাৰা প্ৰকাশিত শ্ৰেষ্ঠ অনাতাঁৰ নাটৰ সংকলনত প্ৰথমখন নাটক হিচাপে সংকলিত হৈছে। মহেন্দ্ৰ বৰঠাকুৰে ১৯৭২ চনত 'শিপা' নামৰ অনাতাঁৰ নাটখনিৰ বাবে অসম চৰকাৰৰ শিক্ষা বিভাগৰ স্বৰ্ণ প্ৰসাদ আৰু প্ৰবাল অনাতাঁৰ যোগে অসমীয়া সাহিত্যলৈ আং

এটা উল্লেখযোগ্য অৱদান হ'ল শিশুনাট 'শাস্তাৰিকৰী হৃষ্টপুষ্ট মহাদুষ্ট'। ভবেন্দ্ৰনাথ শইকীয়াৰ এই নাটখন আন্তৰ্জাতিক শিশুবৰ্ষ উপলক্ষে আকাশবাণী গুৱাহাটীয়ে প্ৰচাৰ কৰিছিল আৰু ই প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰিছিল। তদুপৰি অনাতাঁৰৰ পৰা মঞ্চ আৰু অসমীয়া নাট্য সাহিত্যলৈ স্বীকৃতি পোৱা কেইখনমান নাটক হ'ল— লক্ষ্যধৰ চৌধুৰীৰ 'ঠিকনা', 'শ্ৰীকৃষ্ণ'; সত্য প্ৰসাদ বৰুৱাৰ 'শিখা', 'জ্বালা', 'আনাৰকলি', 'ভাস্বতী', 'শাশ্বতী', 'মৃণাল মাহী' ইত্যাদি ; দুৰ্গেশ্বৰ বৰঠাকুৰৰ 'গজেন্দ্ৰ উপাখ্যান', 'দৈনন্দিন', 'নিৰ্দিষ্ট বক্তা', আদি; ফণী শৰ্মাৰ 'ভোগজৰা'; প্ৰবীণ ফুকনৰ 'আৰ কে জি থাৰ্টিন'; হেম শৰ্মাৰ 'ভোটাই ডেকা'; অনিল চৌধুৰীৰ 'মাণিক বাইটং'; বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'এবেলাৰ নাট'; প্ৰফুল্ল প্ৰসাদ শইকীয়াৰ 'নামৰূপৰ ৰূপকথা'; অৰুণ শৰ্মাৰ 'শ্ৰীনিবাৰণ ভট্টাচাৰ্য' (অনাতাঁৰ নাম 'এয়াগদ্য'), 'আহাৰ', 'কুকুৰনেচীয়া মানুহ', 'অগ্নিগড়', 'চিএৰ', 'বুৰঞ্জীপাঠ' ইত্যাদি; ফণী তালুকদাৰৰ 'তেজে ধোৱা কামেং'; অতুল চন্দ্ৰ হাজৰিকাৰ 'সেনাপতি টিকেন্দ্ৰজিৎ', 'শকুন্তলা' ইত্যাদি আৰু ভালে সংখ্যক নাটক অসমৰ মঞ্চলৈ আকাশবাণীৰ অৱদান।

আকৌ প্ৰফুল্ল বৰা ৰচিত অনাতাঁৰ নাট 'বৰুৱাৰ সংসাৰ'ৰ ওপৰত ভিত্তি কৰি যশস্বী পৰিচালক নিপ বৰুৱাই একে নামেৰে কথাছবি নিৰ্মাণ কৰিছিল। নৱকান্ত বৰুৱাই জৱাহৰলাল নেহৰুৰ মৃত্যুক ভিত্তি কৰি লিখা গদ্য-পদ্য মিশ্ৰিত ৰেডিঅ' নাট 'বেলি ফুল আৰু গোলাপ' শীৰ্ষক নাটখন পিছত মঞ্চত আৰু দুজন প্ৰযোজকৰ দ্বাৰা দুবাৰ দূৰদৰ্শনত প্ৰচাৰিত হৈছিল। মুন্না আহমেদে কৰা প্ৰযোজনাত আঙ্গিকৰ সুন্দৰ প্ৰয়োগে দূৰদৰ্শনৰ দৰ্শকক আনন্দ দিছিল। একেদৰে দুৰ্গেশ্বৰ বৰঠাকুৰৰ 'বিভ্ৰাট' নামৰ অনাতাঁৰ নাটখন একে নামেৰে

ফণী তালুকদাৰে আৰু অনিল চৌধুৰীৰ 'মাণিক বাইটং' শীৰ্ষক অনাতাঁৰ নাটখনৰ কাহিনী ভাগৰ আধাৰত ভূপেন হাজৰিকাই 'প্ৰতিধ্বনি' নামৰ কথাছবিখন নিৰ্মাণ কৰিছিল। এই ছবিখনে আঞ্চলিক ভাষাৰ শ্ৰেষ্ঠ ছবিৰ শিতানত ৰজত কমল বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল।

অসমীয়া অনাতাঁৰ নাট্য সাহিত্যক ভাৰতীয় অন্য ভাষাৰ অনাতাঁৰ নাটকৰ সৈতে তুলনা কৰি চাবলৈ 'অখিল ভাৰতীয় অনাতাঁৰ নাট্যানুষ্ঠান' আৰু আকাশবাণীৰ বাৰ্ষিক প্ৰতিযোগিতাৰ কথা ক'ব লাগিব। এই অনুষ্ঠানৰ জৰিয়তে প্ৰতিমাহতেই দেশৰ সংবিধান স্বীকৃত ভাষাসমূহৰ ভিতৰত উৎকৃষ্ট এখন নাটকক বিভিন্ন আঞ্চলিক ভাষালৈ ভাষান্তৰ কৰি প্ৰচাৰ কৰা হয়। ইয়াৰ দ্বাৰা অইন ৰাজ্যৰ অনাতাঁৰ নাটৰ সৈতে আমাৰ শ্ৰোতাসকলৰ পৰিচয় ঘটাৰ সুযোগ আছে। যিসকল শ্ৰোতাই 'অখিল ভাৰতীয় নাট্যানুষ্ঠান'ৰ নাট আৰু অসমীয়া অনাতাঁৰ নাট শুনি আহিছে, তেওঁলোকে সহজেই বুজিব পাৰিব যে অসমীয়া অনাতাঁৰ নাটকৰ মান উচ্চ থাপৰ।

আকাশবাণীৰ 'অখিল ভাৰতীয় নাট্যানুষ্ঠান'ৰ আৰম্ভণি ঘটিছিল ১৯৫৪ চনত গিৰীশ চন্দ্ৰ ঘোষ ৰচিত বাংলা নাটক 'প্ৰফুল্ল'ৰ নিবেদনেৰে। তেতিয়াৰে পৰা বৰ্তমানলৈ প্ৰতি মাহতে এখনকৈ ভাৰতৰ বিভিন্ন ভাষাৰ এখন উৎকৃষ্ট নাট গুৱাহাটী কেন্দ্ৰই অসমীয়ালৈ অনুবাদ কৰি প্ৰচাৰ কৰে। আনহাতে, ভাৰতীয় নাট্যানুষ্ঠানৰ বাবে নিৰ্বাচিত হৈ দেশৰ সংবিধান স্বীকৃত ভাষালৈ অনূদিত হৈ বিভিন্ন কেন্দ্ৰৰ জৰিয়তে প্ৰচাৰিত হোৱা গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ নাটকেইখন হ'ল— জ্যোতি প্ৰসাদ আগৰৱালাৰ 'শোণিত কুঁৱৰী' (১৯৫৬), 'কাৰেঙৰ লিগিৰী' (১৯৬৪), অতুলচন্দ্ৰ হাজৰিকাৰ 'সেনাপতি টিকেন্দ্ৰজিৎ' (১৯৫৭), অৰুণ শৰ্মাৰ 'ত্ৰিশংকু' (১৯৬৫), চৈয়দ আব্দুল মালিকৰ 'কাঠফুলা' নামৰ গল্পৰ মহেন্দ্ৰ বৰঠাকুৰে একে নামেৰে কৰা নাট্য অভিযোজনা (১৯৭০), (এই নাটকখন অখিল ভাৰতীয় নাট্যানুষ্ঠানত দুবাৰকৈ প্ৰচাৰ হৈছিল।) ভবেন্দ্ৰনাথ শইকীয়াৰ 'দুতিৰ্ময়' (১৯৭০) আৰু 'সন্ধান' (১৯৭১), দুৰ্গেশ্বৰ বৰঠাকুৰৰ 'বিহুগুটিৰ বিলৈ' (১৯৭৩)। এই কেইখনৰ উপৰি ১৯৭৩ চনৰ পিছৰে পৰা শতিকাটোৰ শেষলৈকে আৰু কেইবাখনো অসমীয়া অনাতাঁৰ নাটক 'অখিল ভাৰতীয় নাট্যানুষ্ঠান'ত প্ৰচাৰ হৈছিল। সেই নাটকেইখন হ'ল— লুম্মেৰ দাই ৰচিত উপন্যাস 'কইনাৰ মূল্য'ৰ অনাতাঁৰ অভিযোজনা, মহেন্দ্ৰ বৰঠাকুৰৰ দুখন নাট 'শিপা' আৰু 'নিয়ম'; ভবেন্দ্ৰনাথ শইকীয়া ৰচিত দুখন নাট 'কোলাহল' আৰু 'ইতিহাস' (১৯৯৪) আৰু বঞ্জিৎ শৰ্মাৰ 'মায়াৰ উদ্ভিদ' (১৯৯৪)। এই অনুসৰি ১৯৫৬ চনৰ পৰা আৰম্ভ কৰি ২০০০ চনলৈকে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মুঠ ১৩ খন অনাতাঁৰ নাট ১৪ বাৰকৈ অখিল ভাৰতীয় নাট্যানুষ্ঠানত প্ৰচাৰিত হৈছে। দুৰ্গেশ্বৰ বৰঠাকুৰৰ 'বিহুগুটিৰ বিলৈ' শীৰ্ষক নাটখন বিবিধ ভাৰতীৰ 'হাৱা মহল' অনুষ্ঠানটিৰ যোগে মুকুল গোস্বামীৰ প্ৰযোজনাত 'আফত' নামেৰে ৫ ফেব্ৰুৱাৰী, ২০১৫ তাৰিখে প্ৰচাৰিত হৈছে।

'অখিল ভাৰতীয় নাট্যানুষ্ঠান'ৰ উপৰি আকাশবাণীৰ বাৰ্ষিক প্ৰতিযোগিতাত পুৰস্কাৰ পোৱা নাটকেও গুৱাহাটী অনাতাঁৰ কেন্দ্ৰলৈ সন্মান কঢ়িয়াই আনিছে। এই বাৰ্ষিক প্ৰতিযোগিতা ১৯৭৫ চনত আৰম্ভ হোৱাৰ পৰা যোৱা ২০১২ চনৰ ভিতৰত গুৱাহাটী কেন্দ্ৰই কেইবাটাও ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৱাৰ উপৰি চাৰিটা আন্তঃৰাষ্ট্ৰীয় পুৰস্কাৰ পাবলৈও সক্ষম হৈছে।

ৰাষ্ট্ৰীয় বাৰ্ষিক পুৰস্কাৰ পোৱা অনুষ্ঠানসমূহ এনেধৰণৰ—

(১) 'এটি মনৰ জীয়া ইতিহাস' সংগীতালেখ্য, প্ৰথম পুৰস্কাৰ, ১৯৭৬, ৰচনা আৰু প্ৰযোজনা পুৰুষোত্তম দাস।

(২) 'মইনা সংবাদ' নাটক, দ্বিতীয় পুৰস্কাৰ, ১৯৮০, ৰচনা তৰুণ শইকীয়া, প্ৰযোজনা নীলু চক্ৰৱৰ্তী।

(৩) 'কুকুৰনেটোয়া মানুহ' নাটক, দ্বিতীয় পুৰস্কাৰ, ১৯৮১, ৰচনা অৰুণ শৰ্মা, প্ৰযোজনা নীলু চক্ৰবৰ্তী।

(৪) 'একজন সুখায়' উদ্ভাৱনামূলক অনুষ্ঠানৰ শিতানত প্ৰথম পুৰস্কাৰ, ১৯৮১, ৰচনা জি সুব্ৰমনিয়াম (G. Subramanyam) আৰু দুৰ্গেশ্বৰ বৰঠাকুৰ, প্ৰযোজনা নীলু চক্ৰবৰ্তী।

(৫) 'সৃষ্টিৰ অঙ্কুৰ' সংগীতালেখ্য, প্ৰথম পুৰস্কাৰ, ১৯৮১, ৰচনা চবিন মেধি, প্ৰযোজনা ৰমেন চৌধুৰী।

(৬) 'যুগে যুগে' সংগীতালেখ্য, যোগ্যতাৰ প্ৰমাণ পত্ৰ (Certificate of merit), ১৯৮৪, ৰচনা আৰু প্ৰযোজনা চবিন মেধি।

(৭) 'বস্ত্ৰ দিয়া শিপিনী সমাজ', সংগীতালেখ্য, যোগ্যতাৰ প্ৰমাণ পত্ৰ (Certificate of merit), ১৯৮৫, ৰচনা কেশৱ মহন্ত, প্ৰযোজনা খগেন মহন্ত আৰু ৰমেন চৌধুৰী।

(৮) 'The Legend of Brahmaputra', তথ্যভিত্তিক ৰূপক, ১৯৮৯, ৰচনা এচ কৃষ্ণণ, প্ৰযোজনা এচ কৃষ্ণণ আৰু নীলু চক্ৰবৰ্তী।

(৯) 'চিৰি লুইত', তথ্যভিত্তিক ৰূপকৰ অনুষ্ঠান (Commendation Certificate), ১৯৯০, ৰচনা জ্যোতি শইকীয়া, প্ৰযোজনা বন্তি বৰপূজাৰী আৰু অৰুণী বৰা।

(১০) 'প্ৰতীক্ষা' সংগীতালেখ্য, যোগ্যতাৰ প্ৰমাণ পত্ৰ (Commendation Certificate), ১৯৯৬, ৰচনা আৰু প্ৰযোজনা চবিন মেধি।

(১১) 'গোবৰ্ধন চৰিত' নাটক, দ্বিতীয় পুৰস্কাৰ, ৰচনা অৰুণ শইকীয়া, প্ৰযোজনা নীলু চক্ৰবৰ্তী।

(১২) 'এটি শিশুৰ কাহিনী', (Radio Sponsored Programme Non-fiction), 33rd All India RAPA Award, 2007, ৰচনা আৰু প্ৰযোজনা উৎপল দত্ত আৰু প্ৰবাল শৰ্মা।

(১৩) 'সুখ-দুখ আৰু অন্যান্য' নাটক, দ্বিতীয় পুৰস্কাৰ, ২০১২, ৰচনা সপোনজ্যোতি ঠাকুৰ আৰু দিবাকৰ গোস্বামী, প্ৰযোজনা নয়ন প্ৰসাদ আৰু প্ৰবাল শৰ্মা।

(১৪) আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাৰিকৰী দক্ষতাৰ বাবে ১৯৮২ আৰু ১৯৮৬ চনত পুৰস্কৃত হৈছিল।

**আন্তঃৰাষ্ট্ৰীয় পুৰস্কাৰ ঃ**

(১) 'All Buds to Bloom' Educational Programme (শিক্ষামূলক অনুষ্ঠান), দ্বাদশ জাপান আন্তঃৰাষ্ট্ৰীয় পুৰস্কাৰ, ১৯৭৯, ৰচনা আৰু প্ৰযোজনা অৰুণ শৰ্মা।

(২) 'Caution: Danger Ahead' Documentary, ABU Radio Prize, ৰচনা আৰু প্ৰযোজনা অৰুণ শৰ্মা।

(৩) 'সৃষ্টিৰ অংকুৰ', সংগীতালেখ্য, Special Commendation from HOSO BUNKA FOUNDATION, Radio Prize,1982, ৰচনা চবিন মেধি, প্ৰযোজনা ৰমেন চৌধুৰী।

(৪) 'All Lips to Smile', Documentary, Prix future Berlin Commendation Certificate, 1983, ৰচনা আৰু প্ৰযোজনা অৰুণ শৰ্মা। ইয়াৰ উপৰি—

(১) আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ শৈক্ষিক প্ৰচাৰ শাখাৰ প্ৰযোজক হৈ থাকোঁতে BBC ত প্ৰশিক্ষণৰ বাবে অৰুণ শৰ্মা ১৯৬৬ চনত লণ্ডন (London) লৈ যায়। প্ৰশিক্ষণৰ কালছোৱাত তেখেতে যতীন্দ্ৰ নাথ দুৱৰাই লিখা 'কেতেকী' ৰ আধাৰত এখনি আলেখ্য ৰচনা কৰিছিল। এই আলেখ্য ৰচনাখনি British Broadcasting Corporation ত 'আদৰ্শ আলেখ্য ৰচনা হিচাপে' সংৰক্ষণ কৰা হৈছে।

(২) অৰুণ শৰ্মাৰ দ্বাৰা ৰচিত 'আহাৰ' নামৰ অনাতাঁৰ নাটকখনি বিশিষ্ট সাহিত্য আলোচনী 'সংলাপ'ৰ তৃতীয় সংখ্যাত প্ৰকাশিত হৈছিল আৰু অসমৰ বিভিন্ন মঞ্চত অভিনীত হৈছে। নাটখনিৰ ইংৰাজী অনুবাদটি

লণ্ডনৰ এটা বিশিষ্ট নাট্যদলে অধ্যয়ন কৰিছিল। আকৌ প্ৰথমবাৰলৈ গুৱাহাটী কেন্দ্ৰই পতা পাণ্ডুলিপি প্ৰতিযোগিতাত ফণী শৰ্মাই সূৰ্য্য কুমাৰ ভূএগৰ দ্বাৰা সংগৃহীত ঐতিহাসিক তথ্যৰ ভেটিত 'ভোগজৰা' নাটকখনেৰে প্ৰথম পুৰস্কাৰ পাইছিল। সাদিনীয়া ৰেডিঅ' নাট উৎসৱৰ উপলক্ষে সাপ্তাহিক 'অসম বাণী'য়ে এবাৰ শ্ৰোতাৰ লিখিত মত বিচাৰিছিল। তাত প্ৰীতি বৰুৱা ৰচিত আৰু সত্যপ্ৰসাদ বৰুৱা প্ৰযোজিত 'ফিল আপ দি গেপ্‌ছ' নাটকখনে বিশেষ জনপ্ৰিয় নাটকৰূপে নিৰ্বাচিত হৈছিল।

সপ্তম দশকৰ একেবাৰে শেষৰ ফালে তৰুণ শইকীয়াই সম্পূৰ্ণ গাঁৱৰ পটভূমিত ৰচনা কৰা 'গোবৰ্ধন চৰিত' শীৰ্ষক ধাৰাবাহিক নাটখনে এক অবিশ্বাস্য জনপ্ৰিয়তা অৰ্জন কৰিছিল। ছটা খণ্ডৰ এই ধাৰাবাহিকখনৰ একাধিক প্ৰচাৰ হৈছে যদিও শ্ৰোতাই ইয়াৰ সোৱাদ সদায় নতুন নতুন ৰূপত পাই আহিছে। এই নাটকেই আন্তৰ্জাতিক খ্যাতি লাভ কৰা ইন্দ্ৰ বণিয়াৰ প্ৰতিভাক প্ৰথমে দাঙি ধৰিছিল। আজি মঞ্চ, কথাছবি, দূৰদৰ্শনৰ ধাৰাবাহিক আদিৰ পৰিচিতা চেতনা দাসৰো প্ৰতিভাৰ চিনাকি এই নাটকৰ যোগেদিয়েই অসমৰ নাট্যপ্ৰেমীৰ ওচৰত দাঙি ধৰা হৈছিল।

এইখিনিতে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই অনাতাঁৰ নাটকৰ ক্ষেত্ৰত সৰ্বভাৰতীয় প্ৰতিযোগিতাত লাভ কৰা পুৰস্কাৰ সম্পৰ্কে এটি খতিয়ান তুলি ধৰিবলৈ বিচৰা হৈছে। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই প্ৰথমৰ পৰাই নাটকৰ ক্ষেত্ৰখনত বিশেষ কৃতিত্ব দাবী কৰি আহিছে। সৰ্বভাৰতীয় প্ৰতিযোগিতাত পুৰস্কাৰ পোৱা অনাতাঁৰ নাটসমূহৰ ভিতৰত মুনীন ভূএগৰ ৰচিত আৰু প্ৰযোজিত 'হাতী আৰু ফান্দী', নবীন শৰ্মাৰ ৰচিত লুৎফুৰ ৰহমান প্ৰযোজিত 'ধৰুনী বিদূৰ', তৰুণ চন্দ্ৰ পামেগাম ৰচিত, মুনীন ভূএগ প্ৰযোজিত 'সেতু', প্ৰিয়েন্দ্ৰ তামুলী ৰচিত, মুনীন ভূএগ প্ৰযোজিত 'বৰদৈচিলা', চৈয়দ চাদুল্লা ৰচিত, মুনীন ভূএগ প্ৰযোজিত 'উৰুখা' আদি হ'ল অন্যতম।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে, সাহিত্যৰ অন্যান্য ধাৰা, যেনে ঃ

উপন্যাস, গল্প, কবিতা, মঞ্চ নাটক আদিত যুগ পৰিবৰ্তনৰ লগে লগে বিষয়বস্তুৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্নতাসমূহৰ দৰে অনাতাঁৰ নাটকতো সেই পৰিবৰ্তনসমূহ পৰিলক্ষিত হৈছে। পৌৰাণিক, ধাৰ্মিক চিন্তাধাৰাৰ পৰা আৰম্ভ কৰি একেবাৰে নব্য চিন্তাধাৰাৰ প্ৰায় সকলো বিষয়ৰ ওপৰত অনাতাঁৰ নাট ৰচিত আৰু প্ৰচাৰিত হোৱাটোৱে এই শিল্প ৰূপৰ জনপ্ৰিয়তাৰ প্ৰমাণ। এনেদৰে, অনাতাঁৰ নাটকে সময় পৰিবৰ্তনৰ লগত নিজকে খাপ খুৱাই বিষয়বস্তুৰ ক্ষেত্ৰত নিত্য নতুন পৰীক্ষা-নিৰীক্ষাৰে অসমীয়া শ্ৰোতাৰ মনোৰঞ্জনৰ চাহিদা পূৰণ কৰিবলৈ সক্ষম হৈছে। ■